# মা

এই অসুখী ঠাইত বান্দৰবোৰে তেওঁক ফুলনি পাতিবলৈ নিদিয়ে
জিকা ভাতকেৰেলাৰ পুলি ৰুবলৈ নিদিয়ে
ওচৰ চুবুৰীয়াই তেওঁক মেকুৰী পুহিবলৈ নিদিয়ে
টিনিটাছে তেওঁক সুখত শুবলৈ নিদিয়ে
ভাটীবেলা কিম্বা কালৰাতি।
ঘন মেঘ, ভোমোৰাৰ জাক আৰু বা-মাৰলিয়ে তেওঁক
শেষ পৃষ্ঠাটো লিখাৰ পৰা প্ৰতিহত কৰে
তেওঁ লিখে
মাটি কেনেকৈ শুকাব যেতিয়া ময়ে বৰষুণৰ আৰম্ভণি।
এই অসুখী ঠাইত
কাচিৎহে তেওঁ মই মা বুলি মতা শুনে
কাচিৎহে দেউতাই হেৰা বুলি মতা শুনে
উত্তৰ নোহোৱা প্ৰশ্নবোৰ শুনি থাকোতেই তেওঁৰ জীৱন-যৌৱন গ'ল।
এই অসুখী ঠাইত
কাৰোবাৰ কান্দোনে পাৰ ভঙা শুনে হেনো তেওঁ
তেওঁ হেনো মোৰ চকুলো তপ্‌তপ্‌কৈ বাগৰি থকা শুনি থাকে
দেউতাৰ তেজৰ সোঁত বয়সৰ লগে লগে শীৰ্ণ হৈ অহা তেওঁ শুনি থাকে।

এই অসুখী ঠাই
তেওঁ বহুবাৰ কৈছে
উৎকৃষ্ট বান্ধোনবোৰেৰে সজা।
ঈশ্বৰে তেওঁক মতা তেওঁ শুনিবনে কোনোদিন
এই অসুখী ঠাইত?
এই অসুখী ঠাইত
কেনেকৈ কওঁ মোক এৰি যোৱাগৈ
অথবা মই যোৱাৰ পাছতো থাকা এই অসুখী ঠাইত।
যিহেতু তুমি মোৰ কেঁচুৱাকালৰ ঠেনঠেননিৰ গূঢ়াৰ্থ
তৃপ্তিত সেমেকি শুনিছিলা
মোৰ বুঢ়া বসয়ৰ কাঁহকেইটা শুনাৰ আগতেই যোৱাগৈ,
সেই বুলি ক'বলৈও মই যে বিধ্বস্ত হৈ যাম
মা; তোমাৰ সংসাৰ হাঁয়।

# উঁহ শুকাই যোৱা কবি

ক্ষণিকৰ বাবে দিগদাৰি দিবলৈ আহিছে
উঁহ শুকাই যোৱা এই কবিৰ আবেলি।
খিৰিকিৰে ওখত উৰি থকা জিঞ্জাখাতী চৰাই দুটাৰ বাবে

তেওঁৰ যদি দুলাইনমান বৈ গ'লহেঁতেন, তেওঁ ভাবে।
তেওঁ দৃষ্টি আতৰাব পৰা নাই
ঠেঙুলী-পোহৰ আকাশৰপৰা।
তেওঁ যে কিমান ইচ্ছা কৰে বান্দৰবোৰে ছালত কোৰ্হাল নকৰক
কাষৰ ঘৰৰ অসঞ্জাতী মিউজিক বন্ধ হওক
এক নীৰৱতাত চৰাই দুটাৰ পাখিৰ বতাহ শুনা যাওক।
বতাহ এছাটি অৱশ্যেই বলিছে
বৰষুণ বৰষুণ বতাহ।
তেওঁৰ মনটো টেঙাই গ'ল
তেওঁ বিশুদ্ধ জেঠহে ভাল পায়।
তেওঁ ভাল পায় যে
এটা পাতো নলৰক
খুউব গৰম লাগক
সন্ধ্যাৰ পাছত যেন আকৌ দুপৰীয়া হয়।
এই আবেলি কি নিজকে কবি বুলি জনাৰ?
নে শব্দৰ প্ৰৱঞ্চনাই আহত কৰাৰ?
অথবা হয়তো বেয়া লাইন এটাত থাকি যোৱা এটা মাত্ৰ ভাল শব্দৰ।
উঁহ শুকাই যোৱা কবিয়ে পাৰিবনে?
এটা ভাল নাম থ'ব এই ক্ষণিকৰ দিগ্‌দাৰিৰ?
এই অসহ্য হান খোচ মই কেতিয়াও পাহৰিব নোৱাৰিম
কলিজাৰ তেজ টুকি টুকি কবিয়ে ভাবে
আৰু অসময়ত বিচনাত পৰে।

# স্কিজ'ফ্ৰেণীয়া

প্ৰথমতে তেওঁ মোক সুধিলে—
ঃ "তোমাৰ ক্ষমতা হ'বনে
সৃষ্টিৰ সমস্ত বলিয়ালিৰ গূঢ়াৰ্থ ধাৰণ কৰিবলৈ?
তুমি পাৰিবানে ধাৰণ কৰিব
নৰকৰ উত্তাপ কিম্বা
নৰকৰ অনন্ত কীট-পতংগৰ চেঁচা ব্ৰহ্মাণ্ড সংগীত?
ঢেৰ গাঁথি লগাইছা ঢেৰ গাঁথি লগাইছা
এডাল চিধাচিধি সূতাত।
চব পাগলে তেনেকৈ ছিগি পেলালে দৈৰ অন্তৰংগতা
তুমি পাৰিবানে, তাৰ যি অন্যথা?
এয়া ঠিক সাগৰ নহয়, সাগৰত চবফালে পানী।
এয়া ঠিক পৃথিৱী নহয়, যি সৰ্বত্ৰই মাটি
আকাশো নহয় য'ত পখী মুক্তমনে উৰে।
তুমি পাৰিবানে তোমাৰ শ ঢাকিবলৈ

সমস্তৰে এই লাহি বোৰনেৰে?
চাবা, মই মোৰ ওঁঠত নিজৰ নামটো থোৰা মাত্ৰকে
বুই পেলাইছো সমস্ত প্ৰপঞ্চ,
চাবা, ভুল কৰিলে, প্ৰতিটো কণিকাই বিস্ফোৰিত হ'ব পাৰে
প্ৰতিটো কণিকাই।
পাৰ হৈ আহা, পাৰ হৈ আহা
সৰু ঠেক লেবৰটৰীৰে ভৰা বিল্ডিংবোৰ।
তাৰ পাছত যি এন্ধাৰ কেঁকুৰি পাবা
তাত সন্ধিয়াৰ গু-ফুলৰ গুল্মত দুটা জোনাকী উৰিছে।
আহা তাৰ কাষৰ শিলটোত বহি থাকাহি
পোহৰ আশা নকৰাকৈ অনন্ত কাল।
আৰু শুনা, তেতিয়া তুমি পাৰিবানে ভাবি উলিয়াব
কিয় কবিতা লিখা হয়?
যদি পাৰা প্ৰথমতে ভাবি ল'বা এই ব্যাপ্ত অন্ধকাৰ
সি কি ঘনভাৰ অথবা নিৰ্ভাৰ।
শুনিবা সেই ৰেলৰ আলিৰ আৰ্তস্বৰ
প্ৰতিটো আত্মহত্যাৰে মুখামুখি মুহূৰ্ত্তত।
ধাৰণ ধৰ্ম্ম, বহন ধৰ্ম্মাতীত।
পাৰিবানে অনন্ত কালৰ নিঃসংগ ঘন্টাবোৰৰ
মৌনতা বুজিবলৈ
কিম্বা সিহঁত নিজে নিজে বাজি উঠাৰ লগে লগে
পলায়নৰ বিপৰীতে এটা দুটা খোজ
যি ফালেই নহওক কিয়, যেন তুমি সাহসী?
এতিয়া শুনা আটাইতকৈ মোক্ষম সত্য
ইমানবোৰৰ ভিতৰত মই মুঠেই চিহ্নিত কৰা নাই
তুমি কি ভালপোৱা উচিত।
সি হ'ব তোমাৰ কাম, পাৰিবানে?
চিগাৰেটবোৰ জ্বলি থাকে দুদোল্যমান শব্দাৰ্থত,
মোৰ শব্দবোৰ নিৰ্গুণ।
নাই নহয়, তুমি এনেকৈ মুঠেই যুদ্ধ কৰি থাকিব নালাগে
তুমি মাথোঁ এনেকৈ জীয়াই থাকিবহে লাগিব।
সেয়েহে তোমাৰ বাবে বিচাৰি বিচাৰি মই
জীৱনৰ বহু অৰ্থ পেলাই দিছোঁ,
মাত্ৰ এটাহে লুকুৱাই থৈছো আনৰ পৰা।
শেষত তুমি মাথোঁ কোৱা মোক তুমি বিশ্বাস কৰিছা
আৰু তেতিয়া মই তোমাক সেয়া দিম।"

নামুআমিডাবুৎসু !!! নামুআমিডাবুৎসু !!!
মই চকু দুটা কিছু সময় মুদি দিলোঁ
আৰু তেওঁ ভাবি ল'লে

মই সন্মতি দিছো বুলি।

## বৰণ

সময় কলমৰ খোঁচত মৰি নাযায়।
এই চিৰকালৰ নিৰ্বিকাৰ আকাশৰ তলত
কিয়েইবা চেষ্টা কৰা হোৱা নাই।
আহা নতুন শীতৰ ফেৰফেৰীয়া বতাহজাকক
যথোচিত সন্মান কৰোঁ।
যথোচিত সন্মান কৰোঁ কটাৰীৰ মামৰক।
আহা সুলিখিত বৰ্ণনাৰ চুবুৰিবোৰ উচ্ছেদ কৰি পেলাওঁ
সেই বৃহৎ এলেকাজুৰি কেৱল অস্ফুট ভাৱৰ নিয়ৰ ঘন হৈ পৰক।
শুনা সেয়া তোমাৰ নামটো মতা হৈছে
অযুত এনে নামৰ মাজত, যিবোৰৰ প্ৰত্যেকটিয়েই
পাহৰি যোৱা হ'ল।
কাৰ ডিঙিত পিন্ধাই দিবা
এই অতীত হৈ যোৱা মালাধাৰ?
কি সুদৃশ্য, মৃত্যু আৰু ক্ষয়ৰ তোৰণ !

## ভাৰ

ভাৰস্তৰ এই সহিব নোৱৰা ভাৰ
সকলোৰে বাবে আছিল।
কিন্তু ই মেজাজী
বতাহত হাওলি উচুপি থকাজনক ই বাচি লয়।
দুখন পৰি যোৱা কান্ধত
ই জোৰে খামুচি ধৰে
আৰু আলিংগন কৰে আটাইতকৈ ওখত।
কিন্তু তেনেকৈ নহ'ব
এইবোৰ শাস্তি এইবোৰ পুৰস্কাৰ কাকো নালাগে,
সেইটো আমাৰ মাজত মিল, তাক থাকিবলৈ দিয়া হওক।
সকলোতকৈ প্ৰথমতে বহু যুগৰ মূৰত
আমি চবেই অলপ মধুৰ টোপনি বিচাৰিছিলো।
তাৰ পাছত কৰুণাৰ বিভিন্ন স্তৰ
উন্মোচিত হোৱাটো।
অপলক খুলি থোৱা চকু আৰু এক ৰূঢ় প্ৰেক্ষাপট
সেয়াই আমাক দিয়া হ'ল নিৰ্দয়ভাৱে।
তাৰ পাছত নিৰ্দয়তাৰ বিভিন্ন স্তৰ
উন্মোচিত হোৱাটো।
প্ৰথমতে আমি চাই লোৱা উচিত

এই মিছাতে ইমান বিশাল আকাশৰ ফলকত
ঈশ্বৰে ক'ৰ'বাত কিবা এটা ইংগিত
ৰাখি থৈ দিছে নেকি।
প্ৰপঞ্চৰ ওপৰত অবিশ্বাস যেতিয়া আমাৰ গাঢ় হ'ব
তেতিয়া আমি সহিম, তাৰ আগতে সহন কৰা নহ'ব।

## ভঙ্গুৰ

ৰাতি ন বাজিছে।
কোঠাৰ পোহৰে চব নষ্ট কৰি দিয়ে।
বাহিৰৰ আন্ধাৰত কিবা যেন দেখা পোৱা যায়।
কেঁচুবোৰ শুইছে।
সেইকাৰণে সিহতৰ ডিঙিৰ পৰা কুলুলুক কুৰুৰুক গান বাজিছে।
কোনে জানে কি সময় ঠিক?
কোনে জানে কি ধৰি ৰখা উচিত
সৰকি যোৱা সময়ৰ পৰা?

## শপত

মই হয়তো বিচাৰিয়েই থাকি গ'লো
আটাইতকৈ ভাল এটা আপেল
অসাধাৰণ মানুহৰ বাবে অসাধাৰণ
তোমাৰ বিচিত্ৰ ভোক, মোৰ কাৰু পিয়াহ
মুখত দিবলৈ কিবা এটা।
মই বিচাৰি থাকোতেই সময় লগাইছো
লগামেই (তোমাক মই ভাল পাওঁ)।
মই জানো যে মোৰ বিচাৰি থকাটোৱেই
মই বিচাৰি থকাটোক লাহে লাহে গঢ় দিছে
জীৱন সলিলৰ শামুক সময়ৰ গৰ্ভত।
মোৰ অপেক্ষাই মোৰ অন্তহীন প্ৰশ্ন,
এই যে তেজে পিৰপিৰাই যোৱা কৌতুহল মানুহৰ জীৱন !
কিন্তু 'ক'ৰ কাণটো কিয় বেঁকা, মোক যিবোৰ কথা শিকোৱা হৈছিল,
শিকাওতাক বিস্মিত কৰিবলৈ কেতিয়াও একোৱেই
মই দুনাই প্ৰশ্ন কৰা নাই। প্ৰশ্ন নকৰাকৈয়ে
মই শুনি থাকিম, মোৰ কাণৰ কুৰুং অসীম দ
কোৱা আৰু তোমাক কি কি লাগে
তোমাক মই ভাল পাওঁ।
সময়ে টানি-টানি দীঘল কৰিছিল
মোৰ এই দুহাত, মোৰ ডিঙি, মোৰ ঠেং

তোমাক ফলটো ছিঙি আনি দিবৰ বাবে ;
কোন কাহানিৰ সেই মধুৰ দায়িত্ব
মইতো মোৰ সুগঢ়ি কান্ধৰপৰা নমাই নথ'ম !

আটাইতকৈ ভাল এটা আপেল
ইমান ভাল যে তাৰ কথা ভাবি ভাবি
মই মৰা এৰি দিলোঁ।
আৰু বা কিমান দিন লাগি থাকিব মোৰ আত্মাত
শপতৰ অশৌচ!
অথচ পৱিত্ৰ মোৰ অনুসন্ধান
তাৰ নামত মই শুচি হ'ব পাৰিম,
পাইছোযে, আকৌ পাইছোযে বিচাৰি তেনে কোনো পৱিত্ৰতা
যাৰ নামত মই শুচি হ'ব পাৰিম !
নিশ্চিতভাৱে কাষ চাপিছো ধন্য প্ৰান্তৰৰ
নহ'লে কিহলৈবা মোক পৰুৱাই পাইছে,
দশোদিশে কিবাকিবি আছে, দশোদিশে
ইমান খোজৰ চিন, কিন্তু তাৰ ধূলি সোণালী
মানুহৰ অতীতৰ পোহৰে ধোৱা।

# তেওঁ আৰু অন্ধকাৰ

(এক)
এই নীৰস কাঠত
এতিয়া শুদ্ধ জুই আছে।
এই উদং ঘটত
এতিয়া তেওঁ পিয়াহ পৰিপূৰ্ণ কৰি ৰাখিছে।
এতিয়াও কুঁহি ওলোৱা নাই
অথচ চৰাইবোৰৰ অভ্যাস আছে বৰষুণৰ অপেক্ষা কৰাৰ।
মই ক'লৈ যাম, কি কৰিম
মই একো নাজানোঁ
কিন্তু জানিছো যে মই হেৰাইছো, মোৰ কৰ্ম ক্ষয় হৈছে।
ভোক লগা বুলিয়েই মই পাথৰ খোৱা নাই
যি খালে আৰু দুনাই ভোগ লাগিব নোৱাৰে।
এয়া সেই নৈ নহয় যি মোক পাৰ কৰাই দিব
অথচ মই পাৰ পাবলৈ ব্যাকুল।
এটা মাথোঁ পথ আছে যি বৃত্তাকাৰ নহয়
কোনেনো গোটেইটো বাট দেখিছে?
তেওঁ আৰু অন্ধকাৰে মোৰ উপকাৰ কৰক।

(দুই)
ইমান কাঁইটীয়া
আৰু অন্ধকাৰ,
অথচ এয়া ৰাতি ফুলাহে ফুল
হৃদয়ৰ সুগন্ধই মোক অংহকাৰী কৰি তোলে।
তুমি ল'বানে মোৰ প্ৰেমৰ হান-খোচ
যিদৰে বতাহ ফালি-চিৰি মই বসন্তৰ গভীৰতালৈ গৈ থাকোঁ অনৰগল।
গান শুনা এই অস্ফুট ক্ৰন্দনৰ
বাসনা ৰৈ যাওঁতেই মোৰ তোমালৈও বাসনা হ'ল
বাসনাৰ গান।
যি অস্ফুট তাক স্বতঃস্ফুৰ্ট কিদৰে কৰোঁ
এইবোৰ শব্দৰ নিচুকনি
তেনেই আন্তৰিকতাহীন।
একো অনুভৱ কৰি নাথাকোঁতেহে এইবোৰ লিখাটো সম্ভৱ
পৰিপূৰ্ণ ঘটে জানো পানীত ঘলক ঘলক কৰে?
শুনা এই অভিশপ্ত পাত্ৰত তুমি
তোমাৰ প্ৰেম ঢালিবলৈ যত্ন নকৰিবা।
তলিখন মই ফুটাই ৰাখিছো।
অশুদ্ধ ঘীৰ দৰে প্ৰেমৰ জুইত
মোক কিছুমান শব্দ কৰি থাকিবলৈ দিয়া
আৰু তাৰ কিছুমান অৰ্থ কৰি থাকিবলৈ দিয়া।

# স্মৃতিশীলা

ভাবৰ বুৰবুৰণিবোৰ কাটি যোৱালৈকে প্লীজ ইয়াত বহি থাকা
তুমি মোৰ অষ্ফুট ভাৱনাৰ মাজত বহিছাহি
তুমি মোৰ নিৰ্বাক স্পন্দনৰ ওপৰত বহি আছা
মোৰ কান্দোনৰ ফুলৰ তোৰাত।
মোৰ এতিয়া আবেলিৰ মান বয়স
আন্ধাৰ-পোহৰময়ে যোৰা লগাই ৰাখিছো।
জানো যে পোহৰৰ হাতখনেই আগতে দিব লাগিব এৰি
আৰু তুমি হাত আগুৱাই দিছা আনন্ততা অন্ধকাৰ ৰাতিৰ বাবে।
তুমি চাবলৈ আহিছা কিদৰে মই মোৰ বেলাক যাবলৈ দিলোঁ
আন আন পৰিতাপৰ ন ন পুৰতিৰ সতে যোৰা লাগিবলৈ।
তুমি চাবলৈ আহিছা খহি পৰা স্বাভিমান
আৰু মাটিৰ সতে মোৰ প্ৰেম
অনুচ্চ মোৰ মাতত তুমি জিৰণী শুনিবলৈ আহিছা।
তুমি বাটটোৰ আনটো মূৰৰপৰা মোলৈ বাতৰি আনিছা
তুমি তাৰপৰা আহিছা

তাৈলে বুলি, যৰপৰা মই আহিছো।
আমি কথা পাতিছো আমাৰ আৰম্ভণিৰ দুখন ভিন্ন অৰণ্যৰ
অভিন্ন চিৰাতন আৰণ্যক নিয়মবোৰৰ কথা।
আমি বাটটো বাদ দি কিনাৰত মাইলৰ খুটি হৈ বহিছো
আন কোনো উদ্ভিন্ন যৌৱনৰ বাবে চিহ্নক হৈ।
ভাবৰ বুৰবুৰণিবোৰ কাটি যোৱালৈকে প্লীজ ইয়াত বহি থাকা
মোৰ দায়িত্বত থকা কথাবোৰ মোক সজাই-পৰাই ল'বলৈ দিয়া
আমাৰ প্ৰেমালাপত তাকেই আমি অনন্ত কালৰ বাবে শুনি থাকিম
শুনিব বাটৰ কিনাৰৰ দুডোখৰ শিলৰ পৰা অনন্ত পঠিকে চিৰকাল।

# বিপন্ন দিনৰ গোলাপ

উদাস, নীৰস, ঢেপঢেপীয়া
পৃথিৱী এখনৰ সতে গাঁথি থোৱা আছে শব্দবোৰ।
মইও এটা বাজে যৌৱন জী উঠিহে কবিতা লিখিছো।
শব্দবোৰে বিচাৰে মই যাতে সদায় একেবোৰ কথাকে কৈ কৈ বুঢ়া হওঁ ;
কিয়েইবা কাৰণত মই পৃথিৱীখন বখানি থাকিম?
মই কিজানি মিঠা শব্দৰে মোৰ মৃত্যুক গোপন কৰিছো
মই ইতিমধ্যে গমেই পাইছো
যে মোৰ আৰু পিয়াহ নালাগে।
এয়া যুগ যুগান্তৰ ধৰি বিয়পি পৰিল
ইতিহাসৰ কোনটো জানো বিশেষ দিনৰ বিপন্নতা।
মোৰ মৌনতাই শেষ কৰি অনা কাহিনীত
গোলাপৰ সঁচা বিৱৰণ দিবৰ বাবে
বিপন্ন সেই দিনটোত ফুলা গোলাপ পাহ তোমাক লাগিবই।

# কেইটামান প্ৰেমৰ কবিতা

(এক)
তোমাৰ মনৰ যি খবৰ
পৃথিৱীত তাৰ ক'তো চিন নাই
পৃথিৱীত, মোৰ হৃদয়ত ফুলি থকা ফুলপাহেই তাৰ একমাত্ৰ চিন।
এয়া মোৰ কি প্ৰেম
য'ত বুলবুলি চৰাইবোৰে গীত গাই নাথাকে?
এয়া তোমাৰ কি প্ৰেম
গোটেই উপবনতে তোমাৰ কোনো সখী নাই?
মই জানো, কুঁৰাটো পৱিত্ৰ।
এই ভৰ দুপৰত, তলিৰ অকণ চেঁচাপানীৰ বাবে
কি চৰ্ত ধৰিলা?

এঁৰা সূতাৰে ডোল দিয়া হৃদয়
টান খালে কষ্ট পাওঁ
নানান মায়া কৰি চপাই নিবা।
এয়া তোমাৰ কি প্ৰেম
লাহি পখিলাৰ দৰে তোমাৰ খোপাত খেলিছে
তোমাৰেই অনন্ত তৃষা?
আমাৰ হৃদয়ৰ যি গাথা
পৃথিৱীত তাৰ কোনো চিন নাই
বনৰীয়া কচুৰ থোৰত বিচাৰিছো
তোমাৰ চকুপানীৰ দাগ।

(দুই)
তেতিয়া মোৰ হ'ব কেঁচা যৌৱন
অন্তৰখন কিন্তু হ'ব বেছিকৈ পকা জামুবোৰৰ দৰে,
অন্তৰখন কিন্তু হ'ব বুকু পোৰা চাকিৰ দৰে।
তেতিয়া মোৰ হ'ব কেঁচা যৌৱন
কিন্তু ফুলপাহ হ'ব পাছৰটো বসন্তৰ,
কিন্তু নৈখনত থাকিব যোৱাটো বাৰিষাৰ পানী।
তেতিয়া মোৰ হ'ব কেঁচা যৌৱন
তেতিয়া মোক মনত পেলালেও তুমি মৰহা ঘাঁহবোৰহে পাবা,
তেতিয়া মোক মনত পেলালেও তুমি নতুনকৈ গজা ঘাঁহবোৰহে পাবা
তেতিয়া মোৰ হ'ব কেঁচা যৌৱন
বাটৰ ভাগৰ তেতিয়া আৰু মোৰ মনত নাথাকে
কিন্তু মোক পিয়াহৰ পানী যাচিবা
যি পিয়াহে অনন্তকাল মোক নিৰ্মমভাৱে চোঁচৰাই ফুৰালে।

(তিনি)
দুটা বিদ্ৰোহী শব্দৰ দৰে
আমি ইটোৱে সিটোক ভাল পাওঁ।
উন্মুক্ত জুইৰ দৰে আমি প্ৰেমত নাচিছো চোৰা
নাঙঠ তৰোৱালৰ দৰে আমি নাচিছো
চাবুকৰ কোঁবত ফাটি-চিটি যোৱা মঙহৰ দৰেই
আমি প্ৰেমৰ জ্বালাত চট্‌ফটাইছো।
প্ৰেমৰ দোৱাতত মিহলি হৈ থকা
আমি বিদ্ৰোহৰ দুটোপাল চিঞাহী
ইটোৱে সিটোক ভাল পাওঁ।
বুলেটে ফুটা কৰা পতাকাৰ দৰে
আমাৰ হৃদয় থকা সৰকা
প্ৰেমৰ তেজেৰে তুমৰলি।

(চাৰি)
বেলিৰ কিৰণৰ দৰে ৰাতিপুৱা মোলৈ তোমাৰ মৰম হয় নতুন
চৰাইবোৰে মোক যেতিয়া মাতি থাকে
আৰু মই সাৰ নাপাওঁ ঃ
মই বুজিছো কেনেকৈ বেদনাৰ সতে যুঁজিছা।
পোৰণি আৰু জুৰণি দুয়োটাই থাকে অপেক্ষাত
কাৰণ যেতিয়া জুই জ্বলে
আমি শিখাৰ দৰে ইটোৱে সিটোক চেলেকো
যেতিয়া জুই নুমায়
একে টুকুৰা এঙাৰত আমাৰ অন্ত হয়।

(পাঁচ)
বৰষুণৰ শব্দৰে মোৰ অৰ্থ মই তোমাক দিলোঁ
বিজুলীৰ পোহৰেৰে মই তোমাক দেখুৱালোঁ মোৰ মানসপট
আবেলিটো এন্ধাৰমুৱা হোৱাৰ লগে লগে
তুমি দেখিলা মোৰ ধ্যান
দোকমোকালিৰ লগে লগে মোৰ স্বপ্ন।
চৰাইটোৱে মোক মতাৰ লগে লগে তুমি শুনিলা মোৰ অভিপ্ৰায়
মৌন হৈ পৰাৰ লগে লগে দেখিলা মোৰ নিৰ্বাণ।
তোমাক যি লাগে সেয়া মই বগা ফুলপাহত লুকুৱাই থৈ যাম
তোমাক যি নালাগে সেয়া থাকিব সহজে পোৱাত।
কিন্তু মোৰ সোঁৱৰণী সবাটোকৈ উত্তপ্ত ভাতী
তাত প্ৰৱেশ কৰিলে তোমাৰ যন্ত্ৰণা হ’ব।
তাৰ মাজেৰে যদি তুমি পাৰ হৈ আহিব পাৰা
তেতিয়া দেখিবা মোৰ পথ
পোন
মোক কোনেও কোৱাহি নাই যে তুমি মোৰ বাবে ৰৈ আছা
মই নিজে নিজে জানোঁ।

## তৰ্জমা

সমস্ত হাহাকাৰেৰে মই  পৰিপূৰ্ণ, পৰিতৃপ্ত, শান্ত, টুপটুপীয়া।
মাজে মাজে মাছে সাৰি দিয়াৰ নিচিনা কৰে
পাতল চামনি বিদাৰি পেলায়, কিবা যেন খণ্ডযুদ্ধই নে কি
আকৌ ডাঠ হৈ পৰে শান্ত অন্ধকাৰ।
সেইবোৰ মই বিস্ফোৰণ হ’বলৈ দিয়া নাই
সেই প্ৰচণ্ড উত্তাপ নিজেই গলি গান হৈ গৈছে

মোৰ প্ৰেমৰ মাজেৰে বনৰীয়া ঋতুৰ দৰে ভ্ৰমি ফুৰিছে।
সেই হাহাকাৰে ঢাকি পেলাব নোৱাৰে অকণমানি খিৰিকিৰ আকাশ
তাত এটা অকণমানি চৰায়ে বিশাল আকাশৰ মৌনতাক সিয়াঁৰিছে।
মই আইনা চাওঁতে চকুৰ কোটৰত সেই হাহাকাৰ দেখোঁ
মোৰ দাড়িবোৰৰ মাজত হেৰাই থকা দেখোঁ
মোৰ হাঁহিটোত টায়াৰ জ্বলি থাকে, দেখোঁ।
মোৰ অন্তৰাত্মা কঁপি উঠিছিল
মোৰ কাণেৰে হৃদয়লৈকে গৰম শলা সোমাই গৈছিল
সেই হাহাকাৰে একোকে বুজাব পৰা নাছিল
দুজনী ভণী অব্যক্ত চিঞৰত জাহ গৈছিল
সেইবোৰ মানুহে লাহে লাহে পাহৰিছে।

এটা চুমাৰ শব্দ ভাঁহি উঠে
এটা স্পৰ্শৰ অস্ফুট শব্দ ভাঁহি উঠে
আকৌ ডাঠ হৈ পৰে শান্ত অন্ধকাৰ।
শ্লোগানবোৰ টুকুৰা টুকুৰ হৈ বতাহত শুঙৰ দৰে মিলি গৈছিল
ভাষণবোৰ বোকা হৈ গৈছিল
খোদ সময়ৰ হুংকাৰ,
আছে, মোৰ হুমুনিয়াহত নিসংগতাৰ কাৰচিপি হৈ বোৱা আছে।
অঁ মই চব গিলি থৈ দিছো
মৌ মাখিৰ গুণগুণনি, মহৰ কেনকেননি
পুৰি ছাই হোৱা জোঁৰৰ চেঁচা বিক্ষোভ
সমস্ত হাহাকাৰৰ একছত্ৰী মালিক হৈ মই এই পৃথিৱী এৰি দিম।
নিশব্দে পৃথিৱী নিয়ঁৰে ঢাকি পেলাব।
মই নিশব্দে তোমাক ভালপাওঁ বুলি ক'ম।
দুযুৰি ওঁঠ আৰু হালধি ঘঁহা ছালৰ অস্ফুট নাদ অনুনাদত
মই হাহাকাৰৰ যথোচিত তৰ্জমা কৰিম।

## বসন্ত

কিয়েইবা বাৰু সাঙুৰি সাঁচি ৰাখিব পাৰিবা হৃদয়
এই যে তোমাৰ-মোৰ মাজেৰে চুঁচৰি সৰকি যাব লাগিছে
ৰাশি ৰাশি বসন্তৰ এঙামুৰি।
তুমি যি এদিন আৰম্ভনি হোৱা দেখি হতবাক হ'ব জনা নাছিলা
তুমি, যি খান্দি উলিয়ালা ধূলিত পোত খাই থকা অন্তক
এতিয়া তুমি অভিভুত
চজিনাবোৰ ফুলোতেই
মই অভিভুত

বতাহজাক সামান্য মাথোঁ উমাল হৈ উঠোঁতেই।
তোমাৰ দুবাহুতে ঢলি মৃত্যুবৰণ কৰিছে মোৰ শব্দৰ শিশু
সেই শৰদেহে কিয়েইবা বৰ্ণনা কৰা নাই;
মৃত সেই কেঁচুৱাটোৰ মুখত বাসন্তী কি লয়লাসে নাচি থকা নাই?
পানী শুকাইছে
পাহাৰীয়া কুঁৱাবোৰৰ তলিত
ডাইনামাইট পুতি কোনো কোনো গভীৰতাৰ শিল ফঁটোৱা হৈছে
মোৰ বুকুতো তেনেকুৰা শিল ফাটিছে
কিন্তু মই বুলবুলিৰ ওঁঠতহে পানী খাইছো
কিন্তু পানীপিয়াই তোমাৰ লোতক এটুপিহে বিছাৰিছে !
তুমি কি সেই একে প্ৰাচীন আমনি লগা সত্যৰেই সময়ৰ পৃষ্ঠা ভৰাই ৰাখিবা হে হৃদয়
বসন্তৰ দুৱাৰ-ডলিত উদ্বেলিত কবিতাৰ উথপথপ বুকু?
ন কৈ কোৱা
কেনেকৈ মৃত্যুক বাৰম্বাৰ বৰণ কৰিছা অবিচলিত শ্ৰদ্ধাৰে
ন কৈ কোৱা
আত্মাই আৰু একেবোৰ অত্যাচাৰ বাৰম্বাৰ সহিব পৰা নাই।
এতেকতে মই প্ৰাৰ্থনা কৰোঁ
অন্ততঃ ঈশ্বৰৰ হাততো বসন্তৰ চাবুক নাথাকক।

# মোৰ মৃত্যু

মোৰ মৃত্যু !
কিমান গভীৰ পানীত থকা মাছ সি ধৰি খাব?
ক'ৰপৰা আহিব সেই অৰ্থ
যাৰে মৌনতা ভাঙিব পৰা যাব?
মন্টালেই প্ৰসংগান্তৰত ক'বৰ দৰে
'ফুলপাহৰ থাকিব লাগিব এটা আকৰ্ষণীয় নাম
বক্সউদ, একান্থাছ।'
মোৰ মৃত্যু !
এইপাহ ফুল ফুলে
সেই কোন কাহানিতে
শিশুবোৰৰ ভিতৰত এটা ভাবুক শিশু হৈ পৰোঁতে।
তোমালোকৰ সলনি মোক মৰিবলৈ দিয়া
মোৰ সলনি যিহেতু তোমালোকে জীয়াই থাকিলা।
মোৰ মৃত্যু ! কেৱল মই জানো তাৰ সকলো অভিপ্ৰায়
সি গভীৰতালৈ গৈ থাকিব খান্দি খান্দি
কৈশোৰৰ আপৈতাঁ প্ৰেমলৈকে
ধৰা পৰিব মাটিৰ তলত
এটুকুৰা তন্ময় হান্দি।

কেৱল মোৰ মনত আছে সেই ক্ৰীড়া
বাৰে বাৰে মৰাৰ আৰু আকৌ মৰিবলৈ সাজু হোৱাৰ।
তেনেকৈয়ে মই মৰোঁ, তেনেকৈয়ে মই দেখিছো সমস্ত সত্যৰ গভীৰতা, নশ্বৰতা
সেয়াই মোৰ মৃত্যু।

## কিছু সময়

ইমানবোৰ সেউজীয়া, যে তাক প্ৰশ্ন কৰিলে উত্তৰ পোৱা নাযাব।
যে তোমাৰ কি কাম? কিয় আহিছা এবাৰতে ইতিহাস অৰণ্যেৰে ঢাকি পেলাব পৰাকৈ?
মাথোঁ গজি থকাত ইমান ব্যস্ত যে কিবা কথা ক'বলগীয়া আছে বুলি মন নকৰে।
মোৰ কিন্তু, কাৰো উৎপাত সহ্য কৰিব নোৱাৰা বয়স এটা হৈছে।
মই ভালপাওঁ এই অপতৃণ যি হেমন্তৰ পাছত নম্ৰভাৱে বিদায় ল'ব টাবটোৰপৰা।
কাৰণ সি আনকি সঁচা কথাটোও ইমান বেছিকৈ নকয়,
যে সি তাৰ আবতৰতো প্ৰমাণ কৰি থাকিব লাগিব।
হে উৎসুক, পৰিপ্ৰশ্নেন, ঔদ্ধত্য পৰিত্যাগ কৰি আৰু অন্ধবিশ্বাসৰে সতে
চোৱা ঈশ্বৰে কি কৰিছে।
কাৰো কাম শেষ নহয়, জানি থোৱা
আৰু তেনেকৈয়ে তেওঁলোক গুচি যাব লাগে।
পৰিতাপৰ মাজত বৰ্জন কৰি থৈ, ভগা-ছিগা কীৰ্তিচিহ্ন তেওঁৰ
তেতিয়া বনোৱা যেতিয়া দুদিনমান তেওঁক পূজা কৰিব বিচৰা হৈছিল।
অথচ কি জেদ !
এই সেউজীয়া শিলৰো ফাঁকে ফাঁকে গজিছে আমাৰ গোটেই পাহাৰটোত।
ঠিকেই সিদ্ধান্ত কৰিছা, কিছু সময়ৰ বাবে আটাইখন সেউজীয়া হৈ পৰে।
কিছু সময়।

## বতৰৰ আলহী

সংহত, ঘন, নিয়ঁৰ পৰাৰ কায়দা।
ৰাতিৰ প্ৰহৰে ফালি চিৰি থোৱা টুকুৰা টুকুৰ
শৰালীৰ সংগীত।
সম্মোহিত তৰাবোৰ অজ্ঞান হৈ গুড় গুড়কৈ সৰি পৰে।
নতুন শীতে নতুন প্ৰশ্ন কৰে।
তোমালোকে কাক অপেক্ষা কৰিছা, আঁতৰি গুচি যাবলৈ?
তেওঁলোক আহিছে, নতুন যেন লাগে এই সুগন্ধ
যদিও তেওঁলোকে পুনৰাবৃত্তি কৰিবলৈ দ্বিধা নকৰে।
টান হৈ অহা মাটিত তেওঁলোকে বিচাৰি থাকিব
মৃত ৰজনীগন্ধাবোৰৰ আত্মা,
এক চুটি অথচ অৰ্থবহ জীৱনকাল। তেওঁলোক আহিছে।
তেওঁলোকে মায়াময় সংসাৰ কুঁৱলিত ভাঁহি থকা, সেই যাদু,

হেঁপাহ পলুৱাই চাব।
হেৰাই যাব তেওঁলোকৰ বাট, তেওঁলোকৰ খোজৰপৰা।
নিথৰ ঠেঙুলীত অপেক্ষা আহি বহিছে, যেন এপাহ আকালৰ ফুল।
ওহোঁ কাৰো বুকুত তেওঁলোকে
অল্পকালৰ আবাসবোৰ নাসাজে
ইয়াত তেওঁলোক আৰম্ভণিৰপৰাই চিতাৰ ওপৰত বহি থাকে
যিবোৰ এই ফাগুনত জ্বলি উঠিব।
তেওঁলোকে এৰি যাব এই পৃথিৱীতে, লৈ নাযায়
কোনটো মুহূৰ্ত্তত বা পোৱা গ'ল, জীৱনৰ ভেঁকুৰা অৰ্থকণ।
অথচ আমি এনেহেন কৰোঁ আৰু বৃথা পাখি কোঁবাওঁ
যেন আমি এইমাত্ৰ চিটিকাত পৰা চৰাই।

## এটি শিশুৰ বাবে

কোনে তোমাক বুজাই ক'ব পাৰিব সেই কাহিনী,
বিশ্বশিল্পীৰ পৰীক্ষাগাৰৰ প্ৰচুৰ অপব্যয়ৰ?
সত্বাৰ কোমল আলতীয়া মাটি তেওঁ পুৰি পেলায়
আৰু ভঙা চিঙা অৱস্থাত
মোক দলিয়াই দিয়াৰ পাছত
এই ভগা পুতলাক লৈও খেলা কৰাচোন
হে অবোধ, হে নিষ্পাপ !
কি খেলাই বা হ'ব নোৱাৰে
মোৰ সত্বাক লৈ
যদিহে তুমি ভালপোৱা পোৱা মাটিৰ কলুষ
মই পৰ্য্যাপ্ত পৰিমানে কাল-বিবৰ্ণ
হে উত্তৰ পুৰুষ?
অনাৱিষ্কৃত সমস্ত বিস্ময়
সমুলঞ্চে তোমাৰ।
যেতিয়ালৈ মোৰ ছিন্ন অংগই
তোমাৰ উলাহত ৰসভংগ নকৰে
মই জাবৰৰ দ'মৰ মাজতো আদৰ পাম
একমাত্ৰ তোমাৰেই
হে অপাপ, হে নিৰ্বোধ !

## মল্‌হাৰ

এই ঘনভাৰ ডাৱৰ। বিম্বিত শ্যাম পৰাৎপৰ।
কি অৰ্থ আঁকিম কবিৰ এই ছাইৰঙী পটলত
আশা, নিৰাশা, আনন্দ আৰু চেঁচা পৰিতাপ

সকলো কথাইতো খাটে সমান সমান
অস্বাভাৱিক সন্ত্ৰাসেৰে মোৰ মন গুৰু গুৰু।
মাটিৰ তলত শিপা, কেঁচু-কুমতি
উল্লসিত সেই চক্ৰাকাৰ বাজৰ সোঁ-সোঁৱনি উৰণ,
এচাহি বন, নিশালৈ হাচনাহানাৰ মিঠা শৃংগাৰ প্ৰস্তুতি।
বিজুলীৰ কেঁচা গোন্ধ বতাহত ভাঁহে।
শৰযাত্ৰীৰ এটা দলো আজিৰ প্ৰাত্যহিকত হ'ল যুগুতি।
কি অৰ্থ কৰোঁ, খেতিয়কৰ মুখত আঁকি দিওঁ আশা কি বানৰ আত্ৰাহি
অস্বাভাৱিক সন্ত্ৰাসেৰে মন মোৰ গুৰু গুৰু।
জানো, এই কাজলে কোনো বিৰহীক চঞ্চল কৰিছে
তীক্ষ্ণ হৈ অহা বা মাৰলিতো কোনো তৰুণীয়ে হয়তো
নজপাব তাইৰ খিৰিকি
আকাশে বিস্মিত কৰা তাইৰেই মনৰ বতৰা
অভিভুত তাই পঢ়ি পঢ়ি
মইও তাকে নেদেখা নহয়
নুশুনা নহয় এয়া কঠাল পাতত টুপুৰ টুপুৰ আনন্দ চেতাঁৰৰ আৰম্ভণি
মনত পেলাব পাৰোঁ মাথোঁ পৰিপূৰ্ণ আশাৰ পৃষ্ঠাবোৰেৰে বাগৰি
কেতিয়াবাই শেষ হোৱা মোৰ যুবা বয়সৰ বৃথা ৰুণজুণ।
অস্বাভাৱিক সন্ত্ৰাসেৰে গুৰু গুৰু মন মোৰ
সহজতে পানীপতাত টুলবুল টুলবুল লোৰ কাটি
উটি শেষ হ'বৰ বাবে কি অৰ্থ পেলনী নিয়াওঁ
এই ঘনভাৰ ডাৱৰ, বিস্মিত শ্যাম পৰাৎপৰ?

# বিলুপ্তি

বাৰিষাৰ গধূলি আহিল
মোৰ জেকা বাৰাণ্ডালৈ আগতীয়াকৈ।
যোৱা ৰাতিৰ বৰষুণত ভিজা পাওপোচ
কাঠৰ ৰেকৰ চাৰিওফালে ফটা পূৰণা জোতা-চেণ্ডেল
চুকৰ টাবত অলক্ষিতে বাঢ়ি অহা অপতৃণ
মহৰ গীত আৰু উদাস বেতৰ চকীৰ কেৰ্ কেৰ্
আৰু কি জানো অজান ইচ্ছাই মোৰ যাতনা বঢ়ায়।
ময়েই নেকি এইবোৰ নুমাই যোৱা প্ৰান্তৰৰ ৰখীয়া
সময়ে আৰু নগচকে এবাৰো এই চোতাল এই মজিয়া
বাদ পৰা কাহিনী এই চৌহদৰ
মইহে নেকি ইমান আবেগেৰে বাৰম্বাৰ মনত পেলাই কান্দোঁ?

বাৰিষাৰ গধূলি আগতীয়াকৈ হেৰায় আন্ধাৰৰ মাজত
মোৰ চৌহদৰ নাইট কুইনৰ বিলম্বিত প্ৰচ্ছায়াৰ।

মোৰ সতে হোৱা তাৰ নৈশব্দৰ আদান-প্ৰদান
মোৰ গোটেই ৰাতিৰ অৱসাদৰ খোৰাক ;
এইবোৰেই চিন
সভ্যতাৰ অজীৰ্ণ শোকবোৰ জীণ নিয়াৰ দায়িত্ব
মোৰ ভাগত পৰিল।
বুৰঞ্জীৰ উল্লেখৰ অযোগ্য সকলো কথা মই পাগুলিব লাগিব
মোলান এইবোৰ আবেলি
মই কিবা শব্দ কৰোঁ নকৰোঁ
সভ্যতাৰ ফৰক নপৰে।

## প্ৰকাশ

প্ৰকাশ কৰা কবি ; অথবা লুকুৱাই থোৱা শব্দফুলৰ মধুৰ সুবাসত
কাৰণ তোমাক সত্যৰ মাজত উপনীত কৰোৱা হৈছেহি ;
প্ৰতিটো উশাহ তুমি শব্দৰ মাজেৰে কাঢ়িব লাগিব।
এইটো মানি নল'বা যে কটু ভাষাৰে ক'লেও সত্য সত্যই।
কাৰণ তোমাক কেৱল সীমাহীন ধুনীয়াৰ মাজত উপনীত কৰোৱা হৈছেহি।
তুমি শুনিছানে সেই সন্ধিয়াৰ চৰাইৰ ধুনীয়া মাত
যি মানুহে নুবুজিলে ?
তুমি দেখিছানে অদৃশ্য গান গাওঁতাজনক ?

সেয়েহে কবি এই ন্যায়ালৰ কাঠঘৰাক
মনোৰম শোভাই আবৰি ধৰিছে। প্ৰকাশ কৰা অথবা লুকুৱাই থোৱা।
তুমি সৌন্দৰ্য্যৰ বন্দী আৰু সত্যৰদ্বাৰা বন্দিত।
কাৰণ তোমাক সত্য আৰু সৌন্দৰ্য্যৰ মাজত উপনীত কৰোৱা হৈছেহি
যে তুমি এনে সাক্ষ্য দিব লাগিব
জীৱনৰ বিৰুদ্ধে গোচৰ তৰাসকলৰ বিপক্ষত।

## জনজাতি

সমগ্ৰ ৰাতি।
ইন্দ্ৰিয়বোৰ অৰ্ধনমিত কৰা।
ৰাষ্ট্ৰীয় শোকৰ দিনৰ পতাকাখনৰ দৰে।
আৰু খবৰ লোৱা হৃদয়ে সেই গান গাইছে নে নাই
ভিতৰৰ পৰা চিক্‌মিকাই থকা আশাৰ।
ৰাতিৰ ফুলো যে শুভ।
আৰু যি সকল উতনুৱাই নতুনকৈ অহা দুঃসময়ত উপজিছা
তোমালোকে জধে মধে শিলগুটি দলিওৱা বন্ধ কৰা।

যদিও তোমালোকৰ সোঁৱৰণকাতৰ হোৱাৰ বয়স হোৱা নাই
তোমালোক অকল সৰু বীজেই নহয়, আমাৰ বহুদিনৰ সঞ্চয়
তোমালোকে বহু দিন ধৰি লুকাই থাকিব লাগিব।
বতাহে যেনি তেনি কোঁৱালে
নোৱাৰ নাবিকে যিদৰে পাল নমাই হে থৈছিল !
আমাৰ অপেক্ষা ভীতিগ্ৰস্ত হ'ব পাৰে
কিন্তু আমিতো ভয়াৰহতাৰ অপেক্ষা কৰা নাই,
যিহেতু আমি বহুতেই ৰাতিটোৰ ভিতৰতে মৰিম
আহা তোমালোকৰ ভালৰ বাবে আমি গম্ভীৰ ৰাতিৰ তন্দ্ৰালু নাচ-গান কৰোঁ।

## ঋতুসংহাৰ

"কিজানিবা পানী আছেই,
অইন কোনোবা অৰণ্যত
আমাৰ বাবে।"

কওঁ নেকি ক'তো নাই
হওঁ নেকি কণ্ঠশ্বৰ উদ্বাস্তু পৃথিৱীৰ
— আহা হাহাকাৰ লগোৱাহি মোৰ সমগ্ৰ শৰীৰ
এটুপি পানীৰ বাবে—

সেইযে হৰিণী নয়নাৰ কথা কৈছা
সুগোল কটীত মেখলা বান্ধি কুঁহি সেউজীয়া পাতল মাছ্‌লিনৰ
যি স্তনত সানি ৰাখিছিল চন্দন পানী
সৰোবৰ সেই দুচকুৰ, কাজলৰ কি দ খাৱৈ
য'ৰ এটুপি পৰাণতে পৃথিৱীৰ সকলো আৰ্দ্ৰতা
মৰমৰীয়া শুকান পাতৰ নিচিনা অস্ফুট শব্দ কৰি সৰি পৰিল
অৱশেষত তাইৰেই দেহাৰ ধূলিত; কি যে স্বাভিমান কৰিছিল তাই !
কোনোবা প্ৰাচীন বৰ্ষাৰ মদনোন্মত্ত দঁতালৰ
আৰু অনেক আকালৰ জন্তুৰ
হাড়বোৰেৰে বাঁহী সাজি
ফুৰাওঁ নেকি টোপনিৰ সুৰ, কালিদাসৰ বহুত বহুত পাছত
কালৰ পূৰ্ণাঙ্গ জীৱনৰ এক সম্পন্ন ঋতুসংহাৰৰ পাছৰে পৰা
বহু দূৰ দূৰণিলৈ বাগৰি গুচি গৈছে সময়ৰ চকা
আৰু এটি শব্দৰ বাবেও সেই উশাহ ঘূৰাই নাপাম যেন !

## লোকসভা ইলেক্‌চন ২০১৯

কোনে গণি শেষ কৰিব
এই অনুৰক্ত হৃদয়ত কিমান ফুল ফুলি সৰি যায়
অজান্তি মুলুকৰ পৰা বতাহ আহে
তাৰ সুবাসৰ বাবে
কোনে জানে
এই মিঠা নিৰ্য্যাতনে মোক ক'লৈ হেঁচুকি আছে?
কিন্তু এইবোৰ আচল কথা নহয়।
যদিহে এই কাটা মাৰা দাংগা ফাচাদেই মোৰ পটভূমি
তেনেহ'লে নিশ্চিতভাৱেই মই প্ৰেমত বৰবাদ হ'বলৈহে আহিছো।

এইবাৰ পুষ্পমেলাত দুবিধ বিলাতী ফুল কিনিছো
পিটুনিয়া আৰু জিৰেইনিয়াম
ঠিকচে ফুলিছে।
অইন ক'ৰ'বাৰ যাতনাত মই হেৰাই যাম যেন !
দেউতাই পুৰাই সেই ফুলৰ কাষত বহি বাতৰি পঢ়ে
বুঢ়া হাড়কেইডালক শান্তি লাগে
মইতো নপঢ়োঁৱেই।

# পোৰা ঋতু

সঁচাই মই বহু সময় বাট চালোঁ
তাৰ পাছত বিৰক্ত হৈ মই ঘড়ীবোৰত প্ৰৱেশ কৰিলোঁ।
সকলো ঘড়ীতে এতিয়া মই আছো
দুডাল কাঁটাই দূৰ্বাদল কাজিয়া কৰি আমাক কিবা সিদ্ধান্ত দিবলৈ
অসাৰ চেষ্টা কৰি থকা শুনি থাকোঁ।
পুৰণা দেৱালবোৰত এঠা খাই
অবিন্যস্ত টেবুলবোৰত অসামান্য যুগৰ ধূলিৰে সতে মোৰ প্ৰেম
সময়ৰ মূল্য ইমান কমিছে যে এতিয়া মই হাতঘড়ী মুঠেই নহ'ম
দুডাল কাজিয়া কৰি থকা কাঁটাৰ বাবে এতিয়া মোৰ যৎসামান্য দাম।
লগত কঢ়িয়াই ফুৰিবৰ বাবে নহয় যেন ;
কিবা ক'ব খোজে মোৰ ধপ্‌ধপনিৰ নিশ্চিদ্ৰ নীৰৱতাত
কিবা কিবি সমিধানবোৰ কৈ থাকে, আপাততঃ যুক্তি সংগত অথচ মই বিশ্বাস কৰিবলৈ অপাৰগ।
কোনোৱে জানে নেকি এই আঠটা পঞ্চল্লিশ, সন্ধিয়া,
আৰম্ভণি নে শেষ
অঘোষিত অনন্ত কাৰফিউৰ?
সকলো কথাই জ্বলি নুমাই শেষ
নেতাৰ মাতত ছাই মেলি দিয়ে শীতৰ অসামান্য সাহসী বতাহে।
কৰ'বাৰ শান্ত উপকন্থৰ হালি জালি ফুল
তাত মৌ হয়তো, হয়তো সুগন্ধ

বতাহে আশা হেৰুৱা নাই,
আজিও ফুলৰ তলৰ মাটিতে পঁচন
সময়ৰ চিটিকি পৰা মঙহৰ।
আমি কি ডাঙৰ কথা কওঁ, আমাৰ সময় উকলি গ'ল
এই মৰা কেঁচু খোৱা পৰুৱাবোৰৰ ওকলা নাই,
সিহঁতে অতীত ভৱিষ্যতৰ চিন চাব অগ্নিদংশন কৰি লানিত গৈ আছে
ইটো পাহাৰৰ পৰা সিটো
কিবা হয়তো পোৰা ঋতু সিহঁতে মিলি খাব।

# নিষ্প্ৰাণ শব্দবোৰ

তুমি শুনা নাই পাতবোৰে সৰোঁতে মোক কি কৈছিল।
পাতবোৰ সেউজীয়া হৈ থাকোতে তুমি নাহিলা।
চৰাইবোৰৰ বাৰম্বাৰ মৃত্যু হৈছে। ৰাতিপুৱাৰ, গধূলিৰ।
মই চাৰিওফালে দেখিছো নিষ্ঠুৰ নিৰ্মোহী সত্যক।
জীৱবোৰে উশাহ লোৱা নাই
উশাহ ল'লেই গম পোৱা যায় যে এখন সন্তাপিত হৃদয় আছে
আৰু সেয়া ভাগি চুৰ্ণমৈ হৈ গৈছে।
তুমি উপায় দিয়া, এই প্ৰেম নাশ হ'লে ক'লৈ গুচি যাব পাৰি।
মই সেইবাটে যাম
য'ত মোৰ নিষ্প্ৰাণ শব্দবোৰ বিক্ৰী যায়।

# লক্‌ডাউন

পাত সৰিছে অইন বাৰতকৈ অলপ বেছি।
কিছু বেছি দিন জীয়াই থকাৰ এটা হাবিয়াস
সিও সৰিছে ;
ৰাস্তাবোৰত মানুহে দুয়োটা সিঁচৰতি বস্তুকেই
সমানেই গচকি ফেনেকি পেলাব।
তাত নিহিত হৈ থাকিব
মানুহ হৈ জন্ম লোৱাৰ এটা গোপন কাৰণ।
(কিয় মোৰ মনটো এনেকুৱা ?
চৰেই যেতিয়া অলপ স্ফুৰ্ত্তি কৰি দেখুৱাবলৈ ভাল পায় ?)

আচল বস্তুটো পায় এই দোকানত।
হয়তোবা পনীৰ !
কিমান ভিৰ হ'ব পাৰে দামটো যেতিয়া ৰাজিব হয়।

মানুহ,
তেনেকুৱা দোকান নাই।
ঠিক আছে বাৰু তোমাৰ কথামতে আৰু কিছু দূৰ আগবাঢ়ি যোৱা যাওক।
তাৰ আগতে, সময়ক তোমাৰ প্ৰতি
আৰু অলপ আগ্ৰহী হ'বলৈ বাধ্য কৰোঁৱা।
আজি দুপৰীয়া এঘাৰ বজাত সকলো স্তব্ধ হৈ পৰিব।
ৰঙিয়াল বতৰৰ কোনো প্ৰসংগ সংগতি নোহোৱা হ'ব,
তুমি মোক একো বুলিয়েই অভিবাদন জনাব নোৱাৰিবা।
চোৱা, সময়ে এতিয়া সময় দিছে
অইন কিছুমান কথাত।
নিজম ৰাস্তাত গুৱাহাটীৰ পাহাৰৰ বান্দৰবোৰ নিৰ্ভয়ে ওলাইছে।

## একাকাৰ

জানানে শৰতৰ এই বৰষুণে কিমান অপকাৰ কৰিছে?
এই তোমাৰ ঘাঁহডালি, বৈ আছো তোমাৰ বাষ্পাকুল দুচকুৰ নিয়ঁৰৰ বাবে।
মই যিদৰে মাথোন এখন হৃদয় তুমিও ঠিক তেনেদৰে।
গতিকে আমাৰ এৰা এৰি হ'ল অলক্ষিতে।
কিন্তু আমি মাথোঁ ওচৰ চপাৰ বাটটোহে চিনিছিলো।
একেটা বাটেৰে ওহোঁ অসম্ভৱ
আঁতৰি যাব নোৱাৰি।
হয়তো এখন হৃদয়ত আন এখন হৃদয় মাথোঁ শুইছে।
হয়তো দুয়োখন হৃদয় প্ৰেমত গলি গলি এক হৈ গৈছে
অথচ এই যে তুমি নাই
তাৰ হয়তো কিবা এটা গভীৰ অৰ্থ আছে।
সেই অৰ্থ প্ৰকাশ হ'বৰ বাবে ওৰে ৰাতি উজাগৰে আছো
ক্ৰমাৎ পোহৰ হৈ আহোতে দেখিছো সেয়া উদয় হৈছে
ঘনতৰ সন্নিবদ্ধ প্ৰেম।
এই এৰা এৰি হে প্ৰীতম, আমি মানি লৈছো জানোঁ?

## শব্দৰ পথ

মই জানোঁ
ইমান ব্যাপ্ত উত্তৰ এটা তুমি দিব নোৱাৰিবা
সেয়েহে ধূলিকণাই দয়া কৰি নোসোধে একোকে।
এচাৰকণিত সেইবোৰে খিৰিকিৰ আইনাত দাগ বান্ধিছে
আৰু চৌকাঠবোৰত যেঠীৰ লাদৰ সৈতে তৰপ লৈছে।
মোৰ এটা চফা ঘৰ
তাত ধূলিকণা থকাই অনুচিত

ভাবা আৰু সিহঁতক তালৈ লৈ যোৱা, মোৰ ড্ৰয়িংৰুমৰ পৰা।
ক'ত সিহঁত অবাঞ্চিত নহয়?
নহয় এয়া ধূলিকণাৰ প্ৰতি দৰদ নহয়
এটা তুলনাহে
মোৰ আত্মাৰ লগত।
কাৰণ সি যিফালে চাই আছে সেইফালে শব্দৰ পথ আৰু শেষ হৈ গৈছে।

# পান

(এক)
সংসাৰৰ পাছত সংসাৰ জ্বলাই পেলাইছে এই ফটিকাই।
কেৱল উজ্বল মাটি ৰৈ গৈছে
আৰু কেতিয়াও পলোৱা নাই পিয়াহ।
ঢলং পলং খোজবোৰে যদি কেতিয়াও ঘূৰি নাহিবলগীয়া ঠাইখনলৈ তোমাক লৈ যায়
তেন্তে বেছ খাইছা সেই ফটিকা।
যদি সবাটোকৈ শ্ৰেষ্ঠ সেই ভ্ৰম
দুচকুত বাৰে বাৰে ছাট মাৰি ধৰে
যদি বাৰে বাৰে বিৰবিৰাইছা কেৱল এটাই নাম, তেওঁৰ
যদি তোমাৰ অত্যন্ত এনে দুৰৱস্থা হৈছে
যে তেওঁৰ বাহিৰে আন কোনেও তুলি ধৰিব পাৰোঁতা আৰু নাই—

তেন্তে পোহৰ পৰি থকা হীৰা এটুকুৰাৰ জিলিঙনিৰ ভিতৰত সি আৱদ্ধ
সেই তাৎপৰ্য্য শব্দলৈ নাহে।
কেনেকৈ কওঁ
এই কথাই মোক কেনেকৈ পুৰি মাৰে
মোৰ দায়িত্ব যে প্ৰকাশ কৰা
আৰু মোৰ অভিজ্ঞতা নিতান্তই ‘মূকা স্বাদনৱৎ’।

(দুই)
বিৰহ !
কেৱল মৃত মাটিৰ বাবে এই শাওন।
মই এনেহেন মাটি
যি সেই বিস্তৰ ডাৱৰৰ বাবে উপযুক্ত হৈ উঠিছো।
চোৱা মোৰ সোণ হীৰা ৰত্ন মানিক নাই
ফুলশয্যাৰ ৰাতি প্ৰেয়সীহঁতে যেনেকৈ অলংকাৰবোৰ খহাই থ'ব !

তাত ব্ৰজপাত হৈছে
তেওঁৰ ছালৰ বৰণ যেন দেখিছো

মই আগবাঢ়ি গৈছো।
নিশ্চিতভাৱে মৃত মাটিতহে সেই ডাৱৰ খহিব।

যেন এক ধিকৃতা, নির্য্যাতিতাই
কেৱল তেওঁক আশা কৰিছে।

## উৰ্বৰতা

তৰুণ, তুমি হয়তো নতুনকৈ দেখিছা, নতুনকৈ বুজিছা।
কিন্তু এই মৃদু দহন চিৰকাল থাকে, চিৰকাল আছিল।
তুমি হয়তো যোৱাকালি হঠাতে দেখিলা
বিস্তৰ ছাই। তলে তলে, লাহে লাহে, মাটিয়ে তাৰে মিলা-মিচা কৰে।
প্ৰথমবাৰ বিষন্ন হৈ, আশাকৰো তুমি ৰস পাইছা। শিকিবা।
বিশ্বাস কৰা, এই গোটেই কাৰবাৰটো
ভীষণ উৰ্বৰ। তুমি যি দেখিছা
এদিন মানুহে এই ছাইৰ কাষৰ পৰা আঁতৰি যাব।
আঁতৰি থাকিব পৃথিৱীৰ বিশাল গোপন অৱধি।
গোপন অৱধি, নাৰীয়ে যেনেকৈ গৰ্ভাধান কৰে।
গছ-লতা, ফল-ফুল, চৰাই-চিৰিকটি,
আকাশে প্ৰচুৰ দিন-ৰাতি তাত উছৰ্গা কৰিব।
তৰুণ, তুমি হয়তো নতুনকৈ দেখিছা, নতুনকৈ বুজিছা।

এই আধাপোৰা উপবনত
জীয়া গছবোৰতো উঁই লাগিছে।

## মালী

মোৰ বাগিচাৰ মালীজনক মই কামৰপৰা অব্যাহতি দিলোঁ।
বাৰিষাৰ জান্তৱ সেউজীয়াৰ সৈতে যুঁজিছিল তেওঁ
যিহেতু মই ভাল পাইছিলো একোটা ঠেঙুলিত
এটাই মাত্ৰ ফল, পৰিপুষ্ট,
পোছাকী সাজত ফিত-ফাত; সম্ভ্ৰান্ত মদিৰাৰ দৰে।
ফুলবোৰৰ বহুদিনৰ বাবে ; দীৰ্ঘযাতনাত ;
মৰহি থকা অৱস্থাত চাই থকাটো মোৰ চখ আছিল।
তেওঁ জানিছিল মোৰ শুই থকা শকত-আৱত হৃদয়ে
অলপতে বাগৰ নসলায়।

সময় গৈ আছিল আৰু বিভিন্ন ধৰণৰ কেক্টাছ জমা হৈছিল।
পাহাৰৰ টান মাটিত কিমান কষ্টই বা কৰা নাছিল তেওঁ।

সৰগৰ এটা চুকত এখন সেউজীয়া বাগিচা থকাৰ এটা অৰ্থ আছে
য'ত একোৰে অভাৱ নহয় কোনোদিন, কাৰ্য্যৰ নাথাকে কাৰণ।
ঃ মই ভাবিছিলো। ঃ
অলপ হিচাপী বাগিচা, ঈশ্বৰে যিদৰে হিচাপত চলে।
কিন্তু সংসাৰতো দুখৰেই, বান্দৰৰ জাকবোৰে সিহঁতৰ অত্যাচাৰ
অব্যাহত ৰাখিলে, আৰু মোৰ মৰমৰ মেকুৰীটোৰে লনখনত হাগিবলৈ নেৰিলে।
এদিন মই আকৌ সেই মুহূৰ্ত্তটোলৈ উভতি গ'লো
যেতিয়া বান্দৰবোৰৰ বিষ্ঠাই
মোক জীৱন সম্পৰ্কে অসন্মানজনক কথা কিছুমান সোঁৱৰাই দিলে।
তেতিয়া সকলো ফল-ফুলৰ চিজন শেষ হৈছিল।
কুৎচিত ঠাৰিৰে সতে জেদী পাৰ্থেনিয়াম।

কিন্তু মূলতঃ
বান্দৰবোৰৰ ওপৰত খং উঠিয়েই মই তেওঁক কামৰ পৰা অব্যাহতি দিলো।

# কবিতা (এক)

এই যে বসন্ত আহিব আহিব বুলি অনুভৱ কৰিছো
তাতো যে কলমৰ খোঁচ পৰে এই মনোকষ্টৰ আবেলি
সেই একেপাহ মধুৰ ফুল অইন কাৰো কবিতাই কাঢ়ি নিয়া
সুৰভিয়ে মোৰ কবৰৰ গাম্ভীৰ্য্য বৃথা কৰে।
মেঘ ঘন হৈ অহাৰ এই ছন্দ
বতাহৰ শব্দই ভৰ্তি কৰে মোৰ ফোপোলা বিলাপ
অকলে শুনি আছো পোক পৰুৱাৰ গীতে ওচৰ চপাই অনা
মোৰ সত্বাৰ বেহেলাত ৰেপ দিয়াৰ মাহেন্দ্ৰক্ষণ।
অৰ্থৰ অচ্যুত গৌৰৱ মই কান্দি লেৰেলাই পেলাওঁ
য'ত গধূলিৰ ধূপ-ধূনা জ্বলিছে
আৰু ঈশ্বৰে মোক ওভতাই বিচাৰিছে তেওঁৰ শব্দবোৰ, অক্ষত
বগা কাগজ এটুকুৰাত দুটোপাল চকুপানী টুকি
দূৰৰ বতাহত এই এৰি দিওঁ।

# কবিতা (দুই)

কি কৰিছোঁ মই ইয়াত? কবিতাত?
সেই হীৰক কাঠিন্যবোৰ বিচাৰি ফুৰিছোঁ
এটা পাত্ৰৰ দৰে, যি সমস্ত গাঁথনি সম্ভৱ কৰিছে
মনৰ, পৃথিৱীৰ।
'সত্য' নাম নিদিবা, তেতিয়া তাক কোনোবাই

প্ৰকাশ কৰিবলগীয়া হ’ব।
সি কাম কৰে গোপনে, আনৰ সহায়
নোলোৱাকৈ।
দেখাৰ নামত আমি
মাজে মাজে বৰষুণ পৰা চাই থাকিব
অৱশ্যেই পাৰোঁ।
কিন্তু এইবেলি বৰষুণ কিয় পৰ্য্যাপ্ত পৰিমানে নহ’ল?
যদি বিচাৰি পাওঁ এই বস্তুটো
আটাইতকৈ অভেদ্য পেৰাটোত তাক লুকুৱাই থ’ম.....
কবিতাত।

এই হীৰক শক্তিৰ কামবোৰ চাবাচোন,
এখন সাধাৰণ বুলি ভবা
অৰণ্যৰ দাঁতিত থিয় দিলেই
তোমাৰ সকলো প্ৰস্তুতি ধ্বংস হৈ যাব। কাহিনী কোৱাৰ
যি কাহিনী ক’বলৈ, তৰোৱাল, কলম,
কেতিয়াবা বিধাতাই
সৃষ্টি কৰিছিল বুৰঞ্জীৰ নিত্য নিপুণ জঁট জালিকাৰ
কিন্তু এই বস্তুটোৱে যেতিয়া এই
সকলোবোৰকেই সময়ৰ নিৰ্লিপ্ততাৰ বিড়ম্বণাত পৰিণত কৰি পেলাব
তেতিয়াহে কবিতা পঢ়িব পৰা হ’ব।

# হাছনাহানা

গোটেই ৰাতি গোন্ধাই থাকি
ৰাতিপুৱা সিহঁত হতাশ হৈ পৰে।
কিন্তু সিহঁতৰ প্ৰিয়তম সিহঁতৰ অগণিত মৰাশ গচকি
আহিবলগীয়া হ’ব, পাৰ হৈ যোৱা বছৰবোৰত
সিহঁতে মচিব নোৱৰা সুবাস সানি থৈ যাব,
তেনে উৎপীড়ণৰ মাজেৰে, ভালপোৱা জনে ভাল পায় তেনেকৈয়ে।
হয় এইবোৰেই সেইবোৰ ফুল যিবোৰ কোনোপধ্যেই
অন্ততঃ উছৱৰ ফুলতো নহয়েই।
এনে বহুবোৰ সমাধি আছে
য’ত মই এনে ফুল থৈ আহিবলৈ ভাল পাম ঃ
এই শব্দবোৰৰ মাজত
এইবোৰ সামান্য অস্পষ্ট অৰ্থ । যেন হাজাৰপাহ হাছনাহানাৰ একেধৰণৰ সুবাস।

হেৰাই যোৱা বহু কথা কাহিনীয়ে মোৰ চৌহদটো বাচি লয় নিজৰ বাসস্থান হিচাপে।
চিৰিবোৰত প্ৰচুৰ শেলুৰৈ, ওৱালত গজা অপতৃণ।

মই এনে কি উপকাৰ কৰিম সিহঁতক
মাথোঁ মোৰ নিজৰ যন্ত্ৰণাবোৰ বঢ়াই লোৱাৰ বাহিৰে?
গোটেই ৰাতি গোন্ধাই থাকি
ৰাতিপুৱালৈ সিহঁত হতাশ হৈ পৰে।

## লেটা

ওহোঁ এই চোকোৰা ফঁটাই পেলাব পৰা নাযাব।
য'ত আমি আমাৰ সৰু সৰু ভুলবোৰৰ সতে বাস কৰোঁ।
এই আকাশ চিৰকাল চিনাকি হৈ নাথাকে
এই মাটি কালিলৈ খাৰুৱা হৈ পৰিব।
আমি নিশ্চিতভাৱে আকৌ কিছুমান নতুন ভুল কৰিব লাগিব।
খং আৰু লোতকৰ কি বিশাল প্ৰপঞ্চ
মই আপচোচ আঁকিবলৈ যত্ন কৰিছো।
আমি ভাবিছো আমাৰ ভুলবোৰ সময়ৰ বুকুত নাশ হৈ গৈছে।
কিন্তু আমি যে ধেনুভিৰীয়া হৈ পৰিছো।
হাত অকনো নকঁপাকৈ আমি সকলো কৰোঁ
খোজ থৰক-বৰক নোহোৱাকৈ আমি অবাটে যাওঁ
কোৱা নহ'লে ব্ৰহ্মাণ্ডই কেনেকৈ অভিসন্ধি কৰে?
অনন্তকাল ধৰি অন্ধকাৰৰ বৰযুগে আমাৰ তেজ লোৱাঁচু কৰিছে
বতৰ বেয়া,
বতৰ একেবাৰে বেয়া।
এই চোকোৰা ফঁটাই পেলাব পৰা নাযাব।
কিন্তু সেই পোকটো তোমালোকে দেখিছানে
যাৰ জন্মৰ সতে অৱধাৰিত হৈ থাকে
যে সি চোকোৰা ফঁটাই আকাশলৈ উৰি যায়?

## খেদ

বহু বাদ্য বাজিছে, একেটাই সংগীত
ৰাতিৰ অৱধাৰিত কলুষ কালিমাৰ, অভাৱিতপূৰ্ব মাধুৰ্য্যৰ ।
মৃতকৰ এই প্ৰহৰত মই সাৰে থকা উচিত নাছিল।
কবিতাই তাৰ বিনীদ্ৰ অমৰত্বৰ বাবে খেদ প্ৰকাশ কৰক।
কিন্তু কোনে প্ৰতিশ্ৰুতি দিব পাৰে মাজৰাতিৰ ৰজনীগন্ধা নুশুঙাৰ?
লাহে লাহে, যিদৰে প্ৰচুৰ বৰযুণে উদ্যানবোৰৰ লাৱন্য ধ্বংস কৰে,
নিশা দুপৰৰ ফুলৰ গোন্ধত অদৰকাৰী মগুহ গজে, মোৰ মানৱীয়তাত।
তেতিয়াই মৃত্যুয়ে নিজৰ যুক্তি-যুক্ততা আৰোপ কৰে
যে কেৱল জীৱন ছন্দোবদ্ধ নহয়
ছন্দ, ছন্দ

মোৰ সতে সাৰে আছে উদ্বিগ্ন ফলাদুখনি।
তেওঁলোকে কৈছে এটা নতুন কথা
উপলুঙাসূচক যৌৱনবোৰ জীয়াই থকাৰ পাছত
চোৰাহি মৃত্যুত কেনে হেৰুৱাই থৈ অহা সন্মান, অক্ষত, সংৰক্ষিত।
ৰ'বা প্ৰথমে মই গেন্ধাই ফুলৰ মালা পিন্ধাই দিওঁ
প্ৰতাৰিত মহা সংগ্ৰামক।

# আকাশৰ উচ্চতা

শেষত
আকাশে বিচাৰে তাৰ সন্মান
আৰু সেই ভব্য উচ্চতাৰ দুৱাৰ সকলোৰে বাবে জপাই দিয়ে।
গম্বুজবোৰৰ ওপৰত শৱভোজী চৰাইবোৰ উৰি থাকে
সিহঁতৰ দৃষ্টি নিবদ্ধ হৈ থাকে মাটিৰ ভৰপুৰ মৃত্যুত।
বিদায় ভিক্ষা মাগি সময়বোৰ গুচি যায়
— কাৰবাবে আবেলিয়ে ইমান বিশাল আয়োজন কৰিছিল?
বৰষুণে কিমান সহজতে
এয়া গধুৰ কৰি পেলাইছে খিৰিকিৰ পাল্লাবোৰ
বহু আশা কৰি কোচাই থোৱা পৰ্দা আৰু আকাশৰ প্ৰিয় ভুমুকি।
জোনটো ঢাকিবলৈ অহা মেঘ
ক'লা বগা হৈ পৰা নশ্বৰতাৰ মাথোঁ ছায়াৱয়ব।
বাৰাণ্ডাত পুৰণি দিনবোৰৰ সোঁৱৰণিৰ কোনোবা বিভুতিৰান
আকাশৰ উদাসীনতাত ক্ষন্তেকৰ বাবে বিস্ময়াভিভুত।
আমাৰ হাঁহি উঠা আশাবোৰৰ দৰে তৰাবোৰে আকাশত পিৰিক পাৰাক কৰে
আকাশে নিৰ্বিকাৰভাৱে জাহিৰ কৰে তাৰ অনন্তকালৰ সম্পত্তি।

# স্ব'কেচ

ধূনা ঘূৰাই দিয়া হৈছে কোঠাবোৰত
কিবা এটা যেন আঁতৰি যাব
কিবা এটা যেন নতুনকৈ সোমাবহি।
নহয় মহ নহয়
সিহঁত ভইল্ পৰ্দাবোৰৰ আঁৰত এতিয়াও চোপ লৈ আছে।
নহয় মহ নহয়।

হয়তো মৃত্যুৱেই
হয়তো পেনপেননি ভৰা বৰষুণ, মৃত বহাগ বিহু
হয়তো আটাইৰে মনবোৰ বেয়া লাগি আছিল বাবে,

অতদিনে লুকাই থকা
গোটেইখন পৃথিৱী দেখা গৈছে
মুকলি আকাশৰ পৰা লুকুৱাই ৰখা মানুহৰ জীৱন,
মুকলি আকাশৰ পৰা লুকাই থকা এগৰাকী সদ্য বিধবা, দেখা গৈছে
মৃতকৰ ভগা সংসাৰৰ কিছুমান মুহূৰ্ত্ত, সদ্য সণ্টালনি,
গোটেই পৃথিৱীখন দেখা গৈছে স্ব'কেচটোৰ ভিতৰত
দেশ-বিদেশৰ পৰা গোটোৱা নানানটা লাম-লাকটু
তাৰ কাষৰ খলপাবোৰত হয়তো শ্বেইক্সপীয়েৰ আৰু শংকৰদেৱে একেলগে
একেটা কামত ব্যস্ত
এজন সদ্য মৃতকক পাহৰি পেলোৱা, চহীবোৰৰ সত্বেও।

ৰাজস্থানৰ উঁটৰ হাড়ৰ শিল্প
স্পেইনৰপৰা অনা যাঁড় যুজাৰুৰ পুতলা, বাৰ্চাৰ সজাই থ'ব পৰা বুটজোতা
যৌৱনৰ ওপৰত মৃত্যুৰ চাদৰ, শিল্পৰ ওপৰত শিল্পৰ চাদৰ
মুকলি আকাশৰপৰা লুকুৱাই ৰখা এক শিল্পৰ
মৃতকৰ ভগা সংসাৰৰ, এক কায়দা,
অথবা তেনেকুৱা হৈ পৰা এখন পৃথিৱী, ওলাই যোৱা, সোমাই পৰা
দেখা গৈছে, নহয় মহ নহয়। ধূনা ঘূৰাই দিয়া হৈছে।

# ইতিহাস চৰ্চা

ইতিহাস
সি এনে, যে তাক ঘঁহি মাজি চাফ-চিকুণ কৰি জিলিকাব নোৱাৰি।
অথচ এই কামটো যত্নপৰভাৱে আমি কৰোঁ, তেতিয়া হয়তো
অতীততে কাৰোবাক বেছি ভাল লগা হ'ব পাৰে।
অথচ যেতিয়া এই কামটো যত্নপৰভাৱে আমি কৰোঁ
তেতিয়া তাক হয়তো এটা পৰিতাপৰ বিষয় বুলি আমি নাভাবোঁ।

হাঁহবোৰে এইটো মুহূৰ্ত্ততে
বোকাৰ মাজত সোৱাদ পানী বিচাৰে।
কাউৰীবোৰে প্ৰতিটো ৰাতিপুৱা নতুনকৈ
কা-কা কৰি চহৰখনক তাৰ গেলা পচাঁ খাদ্য বিচাৰে।
কিন্তু আমি সেইটো নকৰোঁ
ইতিহাসৰপৰা অতীততেই
আমাৰ বেছ কিছু খুচৰি খাবলগীয়া থাকি যায়।
আমাৰ এটা কাহিনীৰ ভাণ্ডাৰ আছে
তাত আমি পৰুৱাৰ দৰে দিন-ৰাতি
অ'ৰ বস্তু ত'ত থওঁ, তাকে কৰি থাকোঁ।

ইতিহাস চৰ্চাৰ কামটো
যত্নপৰভাৱে আমি কৰি থাকোঁ
অথচ যেতিয়া ইতিহাস চৰ্চাৰ কামটো
যত্নপৰভাৱে আমি কৰোঁ
তেতিয়া তাক হয়তো এটা পৰিতাপৰ বিষয় বুলি আমি নাভাবোঁ।

## শব্দ আৰু তাৰ দিওঁতাজন

শব্দবোৰ আমাক দি দিয়া হৈছে।
দিওঁতাজনে ভালদৰে ভাবিছে
আৰু অইন একো উপায় পোৱা নাই।
নিতান্তই উপায়ন্তৰ হৈ
শব্দবোৰ আমাক দি দিয়া হৈছে।
সেয়া যেন নিশব্দে উচুপি থাকোঁতেও
আমাৰ মনবোৰে শব্দবোৰ ব্যৱহাৰ কৰি থাকিবৰ বাবে।
আমি মায়া মমতা নকৰিলেও
শব্দবোৰ আমাৰ মাজত গিজ্ খাই থাকিব,
আমি কোৰ্হাল কৰোঁতেও
প্ৰতিটো শব্দই নিজকে উজাৰি দিব।
ইমান ব্যাপক হৈ পৰা এটা কাহিনী
কোনেও ক'ব নোৱাৰে, দিওঁতাজনে দেখিলে
আৰু শব্দবোৰৰ পৰা হাত ধুলে।
শব্দবোৰেৰে যিমান প্ৰশ্ন হয়, সিমান উত্তৰ নহয়
দিওঁতাজনে দেখিলে, যে কথাবোৰ ব্যৱহাৰিক হ'ব লাগিব
আৰু সেইবাবে শব্দবোৰৰ মালিকী এৰি
তাক এজ্মালি কৰা হ'ল।
তেওঁ দেখিলে যে শব্দবোৰৰ বিভিন্ন ধৰণৰ ব্যৱহাৰ
আৰু আক্ষৰিক হৈ পৰা চিৎকাৰেই
প্ৰতিজন চিৎকাৰ কৰোঁতাৰ মুখ ভৰ্ত্তি অৰ্থ।
তেতিয়াৰপৰা উত্তৰবোৰ পাবলৈ
শব্দবোৰৰ মাজেৰে বিভিন্ন ধৰণৰ আচৰণ কৰাটোৱেই
একমাত্ৰ উপায় হৈ পৰিল।
লগে লগে শব্দবোৰ ক'ৰ পৰা উৎপত্তি হয়
তাৰ প্ৰসংগ সংগতি লুকুৱাই পেলোৱা হ'ল।
অথচ দিওঁতাজনে নেদেখিলে
শব্দবোৰে গোপনে, নিজেই নিজৰ মাজতে হাঁহি কান্দি থাকে নেকি,
শব্দবোৰে প্ৰজনন কৰে নেকি, মৰে নেকি।

সেইটো কিন্তু আমি চাবলৈ যত্ন কৰিছো।
শব্দ এটা কাগজ এখনত লিখিছো, শিৰোনামাৰ স্থানত লিখিছো,
পৰিশিষ্টৰ স্থানত লিখিছো, লিখি উঠি কাটি দিছো,
ছপা কৰিছো, ডাষ্টবিনত পেলাই দিছো
আমি চাই আছো কবিতা কেনেকৈ সম্ভৱপৰ হয়।
এইটো ঠিক হ'ল নে নহ'ল, দিওঁতাজনে ভাবিছে
দিওঁতাজনে কবিতা সম্ভৱ নে অসম্ভৱ ভাবিছে,
অথচ কামটো কেতিয়াবাই তেওঁৰ হাতৰপৰা ওলাই গৈছে।
ইমান ব্যাপক হৈ পৰা এটা কাহিনী
কোনেও ক'ব নোৱাৰে, গতিকে শব্দবোৰৰ নিজা জীৱন লাগিবই
তেওঁ ভাবিছে।
কিন্তু শব্দবোৰৰ নিয়ন্ত্ৰণহীন হৈ পৰা বিশাল ব্যাপাৰ দেখি
কোনো হতচকিত নোহোৱাকৈ নাই, দিওঁতাজনে নিজেও।
দেখা গৈছে যে সত্য অসত্যৰ ব্যাপাৰটোৱে শব্দবোৰৰ অৰ্থনীতিত
লেকাম লগাব পাৰে,
পৰীক্ষামূলকভাৱে তাক চলাই দিয়া হ'ল।
কবিতাৰ বাবে কোনোটো শব্দ অযোগ্য হৈ পৰিল
সিহঁতে বাহ ল'লে ব্যৰ্থ কবিৰ অনন্তকালৰ অন্ধকাৰত।
সিহঁতৰ কান্দোনৰ পেনপেননি দেই যোৱা হ'ল কবিতাত।
কিন্তু যিবোৰ শব্দ সত্য হ'ল
সিহঁতৰ প্ৰতাপ অসহনীয় হৈ আহি থাকিল।
শব্দবোৰে এতিয়া দাবী কৰিব সাম্ৰাজ্য
যি তেওঁৰ নাই,
শব্দবোৰে এতিয়া দাবী কৰিব ভৃত্য হিচাপে এজন সত্যকাম
যি তেওঁ নিজে।
আনৰ কথা ভাবি নহয়,
নিজৰ কথা ভাবি উপায়ন্তৰ হৈ দিওঁতাজনে
শব্দবোৰ আমাৰ হৈ থাকিবলৈ দিছে।
আমি ব্যৱহাৰিক হ'ব লাগিব
শব্দবোৰৰ মাজেৰে যথোচিত আচৰণ কৰিব লাগিব
কবিবোৰক মাতি আনা, তেওঁলোকক ব্যৰ্থ হ'বলৈ দিব নোৱাৰি।

# শান্ত ৰস

কিন্তু সকলো শান্ত; শৰৎ শান্ত।
মইহে কেবাদিনো অশান্তিত ভুগিছো
শৰতৰ আবেলিৰ ৰহস্যময় অনুপ্ৰেৰণাত।
শুৱদিকৈ সৰা শুনো শব্দৰ সেই বিস্তৰ পুষ্পৰাশি

অইন কোনো কবিৰ মৃত্যুত, তল ওপচাই
পূৰ্ণ তেওঁৰ ভাৱনাৰ ছায়াৰ।
মোৰহে অপূৰ্ণতাত বাৰম্বাৰ
সীমাহীন বাসনাই নানানটা ভাৱনা আধৰুৱা কৰে।
মই সদায় আধৰুৱা হৈয়ে থাকি যাম
হেজাৰ বিজাৰ আলো-আন্ধাৰ আবেলিৰ দৰে
যিহেতু মই বাৰে বাৰে ধাৰ কৰো
বিদায় লোৱাৰ আৰু এটা বিধুৰ বেলা।

কিন্তু সকলো শান্ত।
এয়া বিস্মৃতিৰ, নিঃচিহ্ন হৈ যোৱাৰ পাছৰ প্ৰশান্তি
তাৰ পাছত
কাচিৎ কোনোবাইহে কেতিয়াবা চিকুনাব
শব্দৰ এই পৰ্ণপাত
হঠাতেহে কোনোবাই কাৰোবাৰ বাগিচাত কাচিৎ
আৱিষ্কাৰ কৰিব মোৰ কোনোটো অলস ভাৱ
পঁচি যোৱা সৰাপাতৰ তলিত কেঁচুৱে খোৱা।

কোনেও নোৱাৰিব
অইন একো ধৰণে জীয়াই থাকিব
এই দুনিয়াত দুদিনমান বেছিকৈ
সেই যে যৌৱনত দুটা দিন যিদৰে জীয়াইছিলো
তাৰ দোচাৰা
বাসন্তী ঋতুত নিতান্তই পোক পৰুৱাৰ দৰে।

পূৰ্ণ প্ৰশান্তি ঃ
শব্দৰ বিস্তৰ পুষ্পৰাশিৰে ঢাকি থোৱা মোৰ মৃত্যু
মোক এতিয়াই দিয়া কবিতা
মই কেতিয়াবাই মিহলি হৈ আছো মোৰ কিতাপৰ আলমাৰীৰ
সেই ধূলিৰ তৰপত
কাম কৰা মানুহজনীক মই যিবোৰ
সদায় চাফা কৰি ৰাখিবলৈ কৈ থাকোঁ।

## বক্তব্য

কিমান যে কোলাহল নিতাল মাৰিছে
আংশিক অসত্যৰ মাজে মাজে, শব্দৰ আধৰুৱা উদগণিৰ মাজে মাজে
এইটোৱে নেকি বাটটোৰ আনটো মূৰ

এই আধাবনোৱা ঘৰটো পাওঁহি মানে
আবেলিৰ পোহৰকণো শেষ।

এনেকুৱাই হ'ব শেষ আশ্ৰয়
বিশ্বাসৰ অযোগ্য, আংশিক
এতিয়াও দুৱাৰ খিৰিকি নলগোৱাকৈ, ৰাইৰীং নকৰাকৈ, বহু বছৰ ধৰি পেলাই থোৱা
ধোবাং বাং এই আধাবন্ধা ঘৰটো যেনে,
আবেলিৰ সমস্ত আন্ধাৰ সোমাই পৰিছে য'ত
য'ত সকলো প্ৰহেলিকাময় ছাঁয়াই গোপনে বিহাৰ কৰিছে
খুলিছে দুৱাৰৰ পিছত দুৱাৰ মৃত্যু-উত্তৰ
সকলো বাস্তৱৰ শেষত পৰ্বৰ পাছতো পৰ্ব য'ত বাকী থাকে।

আবেলিবোৰৰ এই বিজয়শ্ৰী শান্ত, ই কাকো খাতিৰ নকৰে,
যি তোমাক একোকে প্ৰকাশ কৰিবলৈ নিদিয়ে
শেষত ইমানবোৰ শব্দৰ এটাও তোমাৰ পচন্দ নহয়।
কেৱল ঢৌৰ পাছত ঢৌৰ অনন্ত খুন্দাত
তোমাৰ হৃদয়ৰ গাঁথনি সোলোক-ঢোলোক হৈ পৰে
তুমি উদ্ধাৰ কৰি অনা ভাৱনাবোৰৰ বাবে হাঁয় শব্দ নাই।
ইমানবোৰ আংশিক অসত্যৰ মাজে মাজে
সীমাহীন কষ্টৰ তোমাৰ শব্দবোৰো বৃথা
অথচ তুমি যেতিয়া হুকহুকাই কান্দি উঠা কবি
মই জানো যে তুমি সকলো কথা কৈ পেলাইছা।

# যদি সঁচাকৈ দেৱদূত আহে

মূৰ্চ্ছনা আমাৰ ভাল লাগিছিল
যি ইতিহাস, তাৰ সুন্দৰ বকলাৰপৰা এৰা দিছে।
এতিয়া সন্দেহ কৰা যদি
সোপসোপীয়া কাগজক সন্দেহ কৰা
আমাৰ কোমল অথচ পৰিশ্ৰমী হৃদয়ৰ বৰ্ণনা
যেনেকৈ দিয়া হ'ল তাত !

অথচ সময়ৰ যে আমি নিতান্তই সৰীক্ হ'লো
তাত কোনো দুই নম্বৰী নাই
কাগজেতো একো শুহি শেষ কৰি থ'ব পৰা নাই আজিলৈ।
মনত পেলোৱা প্ৰিয়া
আমি জানো দুনাই তেনেকৈ চুমা খাব পাৰিছো?

চিছীফাছে শেষতঃ ,

শিলটো পাহাৰটোৰ আনটো ধলানেৰে পাৰ কৰাই থৈ গ'লগৈ।
আজি যে চাইছো আকাশখন আবেলি বহুবেলি,
সেয়া সঁচাই বৰ দূৰ দূৰণিৰ চাৱনি,
যিহেতু সকলো কথাৰ পাছৰ এই আকাশ,
মুকলি পিয়াসী ফেৰাল ঘোঁৰাবোৰো তাৰ তলত থম্‌থম্‌কৈ ঠিয়ৈ ঠিয়ৈ ঘুমাইছে।

এনেতে যদি সঁচাকৈ দেৱদূতো আহে আৰু কয়
কেৱল তুমি একো নকৰিলা বাবেই পৃথিৱী জহন্নামে গ'ল
কোনে তেওঁক বিশ্বাস কৰিব?

# নশ্বৰ কাহিনী

মৰম সোমাইছে।
এই পুৰাৰ পূবেৰুণ, কাকলি, ৰাতিৰ সেমেকা মাটি
এক আলোড়ণৰ সতে সাৰ পোৱা ৰাশি ৰাশি ৰক্তপুঞ্জ
ভৱিষতব্যই ভাবৰ কুঁহি পেলায় কুণ্ঠা নকৰাকৈ প্ৰাচীন ভাগৰুৱা শব্দত
এই ব'ৰাগীৰ হৃদয়তো খেলা খেলে অজান ছায়া প্ৰচ্ছায়াই।

গাঁৱৰ কোনো প্ৰাচীন পদুম পুখুৰীৰ পাৰত মোক খৰি দিছে
তাৰ পাছতো এয়া মই প্ৰেম কৰা নাইনে
দিয়া নাই নে পদুমৰ গন্ধময় বৰ্ণনা
নশ্বৰ কাহিনীত?
এৰা এৰি হোৱাৰ সহজাত ভয়, অভিনিৱেশ
পকা আঙঠাবোৰ লাহে লাহে হে চেঁচা হ'ব
আৰু জানোচা কিমান মনোকষ্টৰ পাছত।

# মাটিৰ কাম

মাটিয়ে মোৰ কাম সহজ কৰিব
এই ভাঙি পেলোৱা এই শেষ হৈ যোৱা !
হে উদাৰ আকাশৰ পিনে থৰ লাগি থকা চকু
মই নিৰন্তৰ শব্দ মাটিত মিলাই গৈ আছো।
মাটিত নিহিত অৰণ্যৰ মই ক্ষতি কৰিছিলো
মোৰ খোজত বন মৰি
অহা যোৱা বাট হৈছিল। অক্ষমনীয়।
শব্দৰ সবাতোকৈ উৎকৃষ্ট শৃংখলেও মোক নিৰাশ কৰিছে
অৰ্থ ক্ৰুৰ সকলো জংঘলৰ প্ৰশান্তিৰ প্ৰতি
জিলিৰ গানৰপৰা, যি মই ভাল পাইছিলোঁ, চব আৰম্ভ

মাটিয়ে নিজৰ মতে ন্যায় কৰক
চোতালবোৰ যদি লুপ্ত হ'ব লাগে কেঁচুমটাত
লৰ্‌ন ম'ৰাৰবোৰ যদি চুকে কোণে মামৰে খাব লাগে
আৰু শামুকবোৰ আহক বাৰাণ্ডাৰ দেৱাললৈকে, আলহি খাবলৈ ।

## শব্দৰ মৰাশ

মোক লৈ চহৰৰ গলিয়ে গলিয়ে কুকুৰৰ মতান্তৰ।
কোনোটো হীৰক শব্দৰ স্পন্দনত
মই এতিয়াও প্ৰাণ পাই উঠিম
যি মৃত আৰু লুপ্ত তাৰ দৰে।
চবেই জানিলে মই এতিয়া নাখাওঁ নিপিন্ধো
কোনেও এতিয়া নোসোধে
ইয়াত মোৰ কি কাম
ৰাস্তাত চেপেটা লগা মোৰ পৰিচয়ৰ ওপৰেৰে
তেওঁলোকে মটৰ চলায় ঘৰৰপৰা কামলৈ, কামৰ পৰা বেছি জৰুৰী কামলৈ।
মোৰ আদৰ কৰিবৰ বাবে ৰৈ গৈছে কেৱল
এই ৰাজহুৱা বাগিচাৰ ধূলি লগা ফুল
নিচা লগা সেই নিস্তেজ হাঁহি মাৰি
সিহঁত বুলবুলিবোৰ অহাৰ আগতে মৰহে।
কোনো কোনো হেৰাই গৈছে
এই লেতু-সেতু ফুলবোৰৰ মায়াত
আবেলিৰ অলিয়ে গলিয়ে
ওলমা এই লাইনৰ তাঁৰৰ গতিপথেৰে
এই নিষ্ফল আকাশৰ নিৰুপায় তাৎপৰ্য্যত।
সৌ টাৱাৰৰ বৃহৎ আইনাত
মই মোক ভিৰৰ মাজত এতিয়াও চিনি পাওঁ।
মই ভগৱানক সোধোঁ এই চিন কিহৰ
নদীয়াল সেই অগনন বগলীৰ জাকত নিঃচিহ্ন হৈ
মোক গুচি যাবলৈ কিয় দিয়া নহয়।
অৱশ্যেই নিজৰ নিজৰ প্ৰিয় ডিচেম্বৰত অঘৰীবোৰৰ তেজৰ তাপ
নিজে নিজে ক্ষয় হৈ শেষ হ'ব।
এই চহৰত শেষ হোৱা প্ৰাৰ্থনাৰ কিবা এক কালিমাহীন প্ৰশান্তি আছে
মোৰ শব্দবোৰে মৰাশৰ দৰে জিৰায়।

## পুনৰ ভয়াৱহ

বাহিৰত কি বিচিত্ৰ আলোক

হৃদয়ৰ ক্ষন্তেকীয়া পাশাখেলৰ বাবে শূণ্যত কত ৰ'দৰ অনুনাদ
পাতলীয়া এতৰপ মেঘত ৰান্ধনি বেলিৰ তিনিকোণীয়া প্ৰতিফলন
সকলো আবিৰ কৰি পেলাইছে।
সেই আলোকত মই দেখিছো
বসন্ত পুনৰ ভয়াৱহ
বৰ্ষা পুনৰ ভয়াৱহ।
কোনোবাই চুবুৰিত সন্ধ্যা কৰি শংখ ফুকিছে
মাজে মাজে পিপা চৰায়ে অনন্তকালৰ নিদাঘক শূন্যত সিয়াঁৰিছে
ঠাণ্ডাটো হয়তো দুই এদিনতে যাব।
কিন্তু বৰষুণ পৰিব লাগিব
অচিন হালধীয়া ফুলজোপা ঠটা মাটিতেই ফুলিছে
কালৈকো বাট নোচোৱাকৈ।
বতাহ এছাটিয়ে ঝন ঝন কৰে
তাৰ অস্ত্ৰবোৰত শান দি গ'ল।
মইও কালৈকো বাট চোৱা নাই
অনুভুতিৰ সতে চিৰাচৰিত লীলা কৰিছো
শব্দবোৰক জানিবলৈ দিছো
হয়তো মই আগতে মৰিম
নহ'লেবা তহঁতে আগতে মৰিবি।
এই আলোক নাথাকে
হৃদয় ক্ষন্তেক সময়ৰ বাবেহে চঞ্চল হৈছে
সি সকলো আদিম বুলি কৈছে
মোক কাপোৰ খুলি চোতাললৈ ওলাই যাবলৈ কৈছে।
মোৰ কাপোৰ নাই
এই বিচিত্ৰ আলোকত মই মোৰ সকলো দেখিছো
ক্ষন্তেকৰ বাবে হ'লেও
মই জানিছো যে মই সকলো জানিছো ঃ
এই ঋতুবোৰে নিৰন্তৰ
নতুন সময় মাতি থাকিব আদিম অভিসাৰৰ বাবে
সকলো সাং কৰি গুচি যাব খোজা মন
এই কথাবোৰে চিৰকাল বিতত কৰি ৰাখে।

## ডায়েৰীৰ পাত

এইখন আকাশহে চাবলগীয়া
উকা, সংঘৰ্ষবিহীন !
হেমন্তক তাৰ ভাগৰখিনি নিবেদন কৰিবলৈ বাধ্য হৈছো।
জীৱন ঋতুৰ পাত।

আনকি মোৰ ছালো শীতৰ ফাপৰে খায়।
সত্বা জুৰি নীৰৱতা হ'বলৈ দিয়া সময়, কিমানবাৰ যে সম্পূৰ্ণ কৰিম
দেহাৰ অৰ্ঘৰে, আষাঢ়ৰ, আঘোণৰ কোলাহল বাৰ্তা।
কোন ওচৰৰ নে সুদূৰৰ বনজুইৰ ধোঁৱা-কুকুহা ; বাৰৱই
স্মৃতিশীলাত চমু বাক্য এটা লিখি দাড়ি দিয়ে।
আৰু চমুৱাই আনা এই পাঠ, চমু যদিও এই পাঠ।
পঢ়ি পঢ়ি চমু এই পাঠ, অলপতে লাগিব ভাগৰ।
প্ৰপঞ্চত টোপনিৰ আকাল, ভাগৰেই ভাল,
হেমন্তৰ আকাশত নাথাকক যুঁজ স্বপ্ন-দুস্বপ্নৰ
উকা, সংঘৰ্ষবিহীন।

কিন্তু অ' কবি তুমি
তোমাৰ উদাস ডায়েৰীৰ পাত
কিয় তুলি দিলা কালিৰ শিশুহঁতৰ হাতত?

## চাৰু ভোক চাৰু খাৰন

মাটিতো নেখাই নমৰে
ঋতু এটা মৰিলে শটো তায়েই খায়।
ময়ো জানিবা তেনেকুৱাই কিবা এটা কৰি আছোঁ।
মোৰ ভাবনালৈ ভুমুকি মাৰা
একেবাৰে একো নাইকিয়া আকাশখনৰ নিৰ্বিকাৰ ঐশ্বৰ্য্য !
দেখিলা বা?
চাৰু ভোক? চাৰু খাৰন?
জীৱনটো উপৰুৱাকৈ নাচালে এনে ভোক লাগে।
সুগভীৰ শুকান নাদৰ পানীৰ দাবীৰ দৰে।
যেতিয়া সোৱাদ-তোৱাদ বাদ
মোৰ তামাম ভোক লাগিছে— তেনেকুৱা হয়;
যিটো বহুতেই অনুভৱ কৰি পোৱা নাই।
এইবোৰ মই শিকাই আছো কিছুমান অনুজীৱ ভৱিষ্যক
সময়ৰ কণিকাক, মকৰাৰ মাকৰ কাহিনী,
মাটিক কৃষ্ণই যিদৰে খাইছিল
মোক তিমান আদৰেৰে যিসকলে খাব, তেওঁলোকক।

## প্ৰিয়া পৃথিৱী

চুলি হেনা কৰিছা? কিন্তু একেইটো খাৰুৱা জিভাৰে তুমি চুমা খাবা?
ক্ষমা কৰিবা পৃথিৱী
তুমি মোৰ বহু পুৰণি চিনাকী।

কোনোকালে তুমি হয়তো সুন্দৰী আছিলা ঠিকেই।

অচিন শব্দৰ বাহুপাশৰ শিঁহৰণ?
ক্ষমা কৰিবা সত্যৰ প্ৰতি মোৰ
আন্তৰিকতা শেষ হৈছে।
শুনা, সংগমৰ সময়ত তুমি পোহনীয়া কুকুৰৰ গলপতাধাৰ ডিঙিত পিন্ধি থাকিবা
সি মোৰ অতৃপ্তি কিছু পৰিমানে দূৰ কৰে।
আকাশত মেঘ থাকে কিছু সময়, আৰু ৰামধেনু।
বুঢ়া আত্মাই সূৰ্য্যোদয়ৰ মিছা ৰং সদায়ে দেখিছে।
ধ্বংসৰ ধূলিয়ে নাকত সুৰ সুৰাই দিয়ে
মোৰ হাঁচি আহে।
মাটিৰ গৰ্ভ মোৰ অনুৰ্বৰ বীৰ্য্যৰে ভৰি গৈছে, পঁচা ভৱিষ্য আৰু
পুতি থোৱা প্ৰজন্মৰ শৱৰে।
তুমি কি বুলি এইবোৰ শৃংগাৰ কৰা
যৌৱনাৰম্ভকালৰ এইবোৰ মিঠা পৰিশ্ৰমৰ প্ৰতি
তোমাৰ শেষ সম্ভ্ৰম ক'ত?
অৱশ্যে এটা কথা ভাল যে আমি আৰু
ইজনে সিজনক ঠগিব নোৱাৰোঁ,
নোৱাৰোঁ পৰস্পৰৰ প্ৰতি অসীম তাড়ণাৰে আশ্চৰ্য্যচকিত কৰিব পৰস্পৰক
এই অলপো ইফাল সিফাল নোহোৱা প্ৰেম
আমাৰ মাজত বহুদিন ধৰি।

## সন্দেহ সংস্কাৰক

খ্ৰীষ্টইও কাঁইটৰ মুকুটহে পিন্ধিছিল।
দিয়া মোৰ খোজবোৰৰ তলত
মোৰ উপায়হীন পথটোৰ কোমল ধূলিত
তোমালোকৰ সন্দেহৰ গজালবোৰ ছটিয়াই।
যে মোৰ প্ৰয়োজন কি অত কষ্টকৰ এই যাত্ৰাৰ
যে মই কিয় পিচ লোৱা নাই
কাৰ্নিভেলৰ পেঁপাবোৰৰ পিছে পিছে,
ঠিকেই, মোক তোমালোকৰ সন্দেহেই শুৱাইছে
নহ'লে মোৰ অভিপ্ৰায় তেনেই বেঙা আৰু
তেনেই নাঙঠ আছিল,
এতিয়া মই পিন্ধিছো বহু অনুসন্ধিৎসাৰ
বৰ্ণময় সম্ভাৱনা, যেন
হয়তোবা সৌৱা, এই এইজন, অঁ তোমাকেই কৈছো
মোৰ সকলো অভিসন্ধি তোমাৰ বিৰুদ্ধেই।

মই বহুদিন ধৰি আহি আছো
যি বাট মই চিনো
সেই মুহূৰ্ত্তৰপৰা, দশোদিশৰ উন্মুক্ত শূণ্যৰ মাজত যেতিয়া হঠাতে
কাকৈচিৰা দিলে আকাশ, দেখা গ'ল সুগঢ়ী আৰু আগঢ়ী বিভিন্ন বিন্যাস।
তেতিয়াৰপৰা মোৰ লগ পাব লগা আছিল দুজন মানুহক -
প্ৰশ্নকৰ্তাজন আৰু উত্তৰ দিওঁতাজন।
দুয়োজনৰে অসাধাৰণ প্ৰতিভাই মোক হাতবাউলি দিয়ে
মোৰ নীৰৱ নিৰ্লিপ্তিৰপৰা দূৰ নিলগত, সৌ তাৰ পৰা
তোমালোকৰ মাজৰ পৰা, ভিৰৰ পৰা, ভিতৰৰ পৰা
চক্ৰবেহুৰ নিৰাপত্তাৰ।
মই চাব বিচাৰিছো তেওঁলোক দুজনে
কিদৰে তোমালোকৰ সতে মিলিজুলি থাকিব পাৰিছে ।
আস্ কিদৰে পাৰিছে? মিলিজুলি থাকিব?
যিকোনো প্ৰত্যয় যেতিয়া জন্মিব
মই অপকাৰ নকৰাকৈ আঁতৰি যাম।

# দৈৱ অদৈৱ

(১)
ফুলবোৰ ফুলিবৰ হ'লৈই।
তুমি যে অহাৰ কথা আছিল, সেয়ে।
অথচ তোমাৰ অহাত পলম হ'ব
ফুল ফুলাৰ বতৰ উকলি গ'লে
মই তোমাক কেনেকৈ মনৰ কথা ক'ম?
আমি সব অহৌবলিয়া, মই, ফুলৰ পাপৰি, চৰাই-চিৰিকতি
আমাৰ হৃদয়ৰ দিব্য প্ৰেম অথলে গৈছে,
তুমি কাক কেনেকৈ মুখ দেখুৱাবা
তুমি অহাৰ আগতেই যদি পৃথিৱী উছন যায়?

(২)
তোমাৰ লীলাৰস ৰেণু এয়া কিঞ্চিত পাইছো
বৈকুণ্ঠৰ এছিঙা ঘাঁহকে হ'লো
তোমাৰ খোজে বিদাৰিলে
বৈকুণ্ঠৰ এটি পৰুৱাকে হ'লো
তোমাৰ খোজে বিদাৰিলে
তাৰ বাবেও হেনো কিবা বোলে সালোক্য সামীপ্য।
তোমাৰ কল্পনা মাথোঁ কৰিয়েই
লীলাৰসত মূৰ্চ্ছা যাওঁ
আৰু তেনেকৈয়ে এয়া এই জনমতো

তুমি বিদাৰি আছা এই হৃদয়।

(৩)
কি আৰু ছিঙি আনি দিম
সকলো ফুলেই
ফুলিছেতো তোমাৰ বাবেই।
এপাহ ফুল ফুলিছে মোৰ পাঁজৰৰ ভিতৰত
সেইপাহ ছিঙিলে তোমাৰ মনোকষ্ট হ'ব।
এতেকে ক্ষাণিক এই
কবিতাৰ বৃক্ষ জোকাৰোঁ
শব্দৰ ফুল সৰে বা ভাল।
পাৰা যদি এই শব্দ ফুলৰ ভিতৰলৈকে যাবা
কবিতাৰ বুকুৰ মৌ
মাথোঁ অসাধাৰণ ভোঁমোৰাৰ বাবে।

(৪)
তোমাক অমুকে ভাল পালে মই ভাল পাওঁ
তোমাক তমুকে ভাল পালে মই ভাল পাওঁ
তোমাক জগত চৰাচৰে ভালপাওক
মোৰ সেয়াই পৰম সুখ
অথচ তুমি মোক ভাল নাপালে মই তোমাক বেয়া নেপাওঁ
এইখন কি বজাৰ মেলিছা
গোটেইখন ভালপোৱাৰ বেচা-কিনা?
কি ব্যাপাৰ হে সখা !
মই যে দেউলীয়া, তাকে লৈ মোৰ গৌৰৱ।

(৫)
মোৰ কি হৈছে?
মোৰ কিজানি শিশুকাল হৈছে।
চোৰাচোন
এই বুঢ়া বসয়ত
মই তোমাৰ সতে উমলিবলৈ শিকিছো।

(৬)
মোক গচকিছা
কাৰণ মই মাটি।
সেয়াই তোমাৰ চেনেহ সঁচাই,
বাটে-পথে যাৰে এৰা এৰি হ'ল
তেওঁলোকৰ প্ৰতি।

(৭)
— তেওঁ মোৰ মালিক
— নহয় তেওঁ মোৰ মালিক
— নহয় নহয় তেওঁ মোৰহে মালিক
— হ'বই নোৱাৰে তেওঁ মোৰহে মালিক
— আচ্ছা বাৰু তেওঁকেই লগ পাই শুধি লওঁ ব'লা
— এটা চৰ্তত, এই সমুখৰ কঠিন বাট
আমি মিলা-প্ৰীতিৰে পাৰ কৰিম।

(৮)
জানা কি অথন্তৰ মিলিল?
তোমাক পাই হেৰুৱালোঁ।
যি বন্তিৰ পোহৰত দুনয়নে হাবিয়াস কৰিবলৈ শিকিছিল
এটি এটিকৈ চব নুমাল; অনন্ত জনমৰ সঞ্চয় দুশ এম.এল. মিঠাতেল কিমতে অতাম?
এতিয়া এনেমান এন্ধাৰ যে তাত তিলেকো প্ৰদূষণ নাই।
ঠিকেই প্ৰদূষণ নাই।
কোৱা এতিয়া কি ক'বা আন্ধাৰ-পোহৰ কোন কাৰ অথন্তৰ, পোহৰ কি?
মায়িক মোৰ মনৰ এই চব স্বপ্ন দুঃস্বপ্নৰ এয়া জানো পোহৰ?
হোৱা হ'লে তিলেকতে মোলান কৰিলেহেঁতেন তোমাকেই। জানা?
মই অন্ধ হৈ গৈছো নিশ্চিতভাৱে
দুৰাচাৰী মন
সংসাৰত কেতিয়াও ক'তো
ৰাতি পুওৱা নাই, আমি কৈছিলো;
ওহো তুমি ফেইল মাৰিছা, ইয়াকে মই তাত যোগ দিলোঁ।
তিলেক স্ফুলিংগৰ বাবে হ'লেও
মইহে নেকি কৰিব লাগিব তপস্যা?
(৯)
এয়া চোৱা
মই পোহৰ জ্বলোৱা নাই।
তুমি দিয়া অন্ধকাৰক
অৰণ্যৰ পশু-পক্ষী, গছ-লতা, জন্তু-জানোৱাৰৰ
সৰল হৃদয়েৰে
আত্মাৰ জিৰণীকাল বুলি কৈছো।
মই নাজানো আকৌ পোহৰ হ'লে মোৰ দুনয়ন
ব্ৰহ্মচৰ্য্য, তিতিক্ষা, বৈৰাগ্য, ভাল আৰু বেয়াৰ গুণবাচ্যৰ অন্তকাল.........
জ্ঞানৰ পথ অঁতাই
আকৌ জ্ঞানৰ পথৰ অসীমত নয়ন নীলিম.............
তুমি একো শেষ কৰি পেলাব নোৱাৰা মই জানো।
আবেলিৰ ছাঁবোৰৰ দৰে আমি দীঘল, ক্ৰমাৎ অন্তহীন

ছাঁ চাই নচাটো সৰুতে আইতাই হতচিৰি বুলিছিল।
পোহৰৰ প্ৰতিশ্ৰুতি এনেহে লাগে যেন
এদিন অলপো ছাঁ নোহোৱাকৈ ৰ'দ ফালিবা।
অথচ ছাঁয়াই ছাঁয়াই যি বননিত ময়ূৰ নাচিছে
সেই বননিহে তোমাৰ।

(১০)
(ক)
পুৱতিৰ চৰায়ে আনন্দ উৎসৱ কৰে
চোৰা আমি চবেই
পাৰ হৈ আহিলোঁ অন্ধকাৰ।

(খ)
মোৰ পিঠিৰ পোৰণিটোৱে মোক জগাই দিছে
কাহিলি পুৱাতে।
চোৰা কোনে কেনেদৰে সাৰ পায়
একেখন এই পৃথিৱীত।

(গ)
অন্ধকাৰ অইন ক'তো নাই
ইয়াতেই আছে
যেতিয়াই তোমালোকে দৃষ্টি আঁতৰাই নিছা।

(ঘ)
এই অন্ধকাৰত
মই কেৱল এটা কামেই কৰিব পাৰোঁ ঃ
কৰুণা।
প্লীজ মোক বাধ্য কৰোৱা বাধ্য কৰোৱা
কৰুণা কৰিবলৈ।

(ঙ)
আমাক পাহৰাই ৰাখিবলৈকে
তুমি প্ৰেম লুকুৱাই ৰাখিছা।
এয়া তোমাৰ দুষ্টালি বুলি নজনা হ'লে
কোন ক'ত আছে-নাই, হয়-নহয়, সঁচা-মিছা?

(১১)
চুৰটৰ এই এমোকোৰা ধোঁৱাৰ
মই শপত খাইছো মই কিবা এটা অৰ্থ থকাটো বিচাৰোঁ।
সৰাপাতৰ, এটা শুকান কুঁৱাৰ,

বিচনা চাদৰত এটা দাগৰ
এটা অৰ্থ থকাটো বিচাৰোঁ
মই শপত খাইছো, বিশ্বাস কৰা মোক।
অথচ মোৰ প্ৰায়শ্চিত্ত অসম্ভৱ।
মই হতভাগা যে মোৰ দুহাতত
অৰ্থৰ মৃত্যু লিখা আছিল।

সৰাপাতৰ অৰ্থ হয়তো মাটি
আগতো পাছতো,
মাটিৰ অৰ্থ হয়তো পুনৰ সৰাপাত;
প্ৰাচীন ভাৰতীয়সকলেই সকলো গোল আঁকিছিল
শূণ্যটো সহিতে সকলো চকৰী, কালৰ, ধৰ্মৰ।
অথচ কেতিয়াবা যক্ষীৰ স্তন।
অথচ কেতিয়াবা কেঁচুৱাৰ নয়ন।

এই তত্ব
মোৰ মৰমৰ মাজেদি সোমাই গৈছে।
তাক নোহোৱা কৰিছে, তাক পুনৰ জন্ম দিছে ;
বিশ্বাস কৰা এখন ক্ষত-বিক্ষত হৃদয়ে এই মৰম মানুহক যাচিছে।
এই মৰমৰ কিবা এটা অৰ্থ থকাটো মই মনে প্ৰাণে বিচাৰোঁ
শপত খাইছো বিশ্বাস কৰা মোক
যদিও মোৰ প্ৰায়শ্চিত্ত অসম্ভৱ।

(১২)
এইবোৰ চব
এনেকুৱাই আছিল, অনন্ত কাল।
আৰু কোনো ষড়যন্ত্ৰ
কোনো ৰহস্যৰ গোন্ধ মই নাপাওঁ
নিৰল শান্ত বননিত।
মই আৰু আচৰিত নহওঁ
মোৰ মাজেদিয়েই যদি
ঈশ্বৰলৈ এটা বাট থাকে।
মোৰ আৰু দুখ নালাগে
সাপ-পিলবোৰ নজ্বলিল বুলি।
কেঁচুৱাৰ কান্দোনত মই আৰু ৰস নাপাওঁ
অনন্ত স্নেহপিপাসাৰ ;
তিমানেই ভোক জন্ম মুহূৰ্ত্তৰ পৰাই
সকলোৰে পেটত সমানে আছে চিৰকাল।
আমাক নো কোনে শিকাই দিছে

অনন্ত কাল আনন্দ বিচাৰি ফুৰিবলৈ?
মই আৰু একোতেই দৈৰ নেদেখোঁ;
মইও সকলোকে অনুমতি দিম
মোক ভালপোৱাৰ।
মোৰ সম্পূৰ্ণ বিশ্বাস হৈছে
যে সেই ক'লীয়া জাহাজবোৰ
আৰু কেতিয়াও পাৰত নালাগেহি।
এতিয়া বোধ কৰোঁ
হেমন্ত কাল আহিব
কোনেও ক'তো খুঁট উলিয়াব নোৱাৰাকৈ।
এইবোৰ চব
এনেকুৱাই আছিল অনন্তকাল।

## এটা পিপা চৰাই

ফাগুনৰ আধাৰপৰাই গোটেইখন সেমেকি উঠিল।
আগতীয়া বৰষুণ ! চকুলোৰে তিতা সেমেকা কাগজ।
তোমালোকে কি মোৰ কথাকে ক'বা?
কাৰণ মোৰ জীৱনতো এনে ঘটিছিল
আগতীয়া যৌৱন আগতীয়া মৃত্যু।
মেঘ গহন
ভাষাৰ বিজুলী চিক্‌মিকাই উঠিছিল
আৰু মই টলুইন শুঙিছিলো
অইন একো বিপ্লৱ সম্ভৱপৰ নাছিল।
অ' কবিতা।
মোৰ বাৰাণ্ডা মোৰ কোঠা
অইন এক শান্ত আলোকেৰে ধিমিক ধামাক।
ভাষাৰ এই ক্ষীণ বন্তি জ্বলিলেই মই ইয়াত উচুপো।
ঘন বন জংঘলেৰে আৱৰা এই কেম্পাছ
সঁচাই-মিছাই এজন নিষ্ফল কাহিনীকাৰ থাকে ইয়াত
নিৰ্জতাখিনিৰপৰা ইতিহাসে মোক ধাৰ শুধি থাকে
এক বিৰাম চিহ্নৰ, বন চোৰাতৰ।
বেলেগে বুজিলেহে ভাষা।
ওৰে ৰাতি দূৰ সুদূৰৰপৰা কান্দি কান্দি কাকো একো বুজাব পৰা নাই
এটা পিপা চৰাই।

## আধৰুৱা ৰ'দ

এয়া আধৰুৱা ৰ'দ
আজিৰ দিন।
আকাশে নিজে ভাঙি পেলাব ধৰিছে টুকুৰা টুকুৰ

তাৰ অনন্ত নীলা।
চোৰা ওখ হৈ গুচি গ'ল অঙ্গীকাৰ
সৌ কোনেও নেদেখাত।
আৰু চোৰা আন সকলোবোৰে কেনেকৈ বিলম্ব কৰে
হেহোঁ নেহোঁ।
কাৰোবাৰ অপেক্ষাৰ সময়ত মই তোমাক এটা অমৃতৰ কুঁৱাৰ পাৰত দেখি আহিছো
নেদেখা হৈ আহিছে লাহে লাহে চেহেৰাবোৰ
নমণা হৈ আহিছে বাট
অকলশৰে ঘৰুমুৱা হওতে, চহৰৰ পাদদেশৰ নলাৰ দাঁতিৰ।
খিৰিকি খুলি থোৱা আছে
আবেলিৰ প্ৰেমিকৰ।
মধুৰী আমাৰ জেলীৰ লগত ঘৰুৱা সেই মিঠাৰে
তেওঁ আৰামচে ৰুটী খায়।
কোনে জানে কিজানি
আমি পাহৰিব লাগিব
জীৱনক কিমান ভাল পাও
খোদ কাহিনীবোৰে বিদ্ৰোহ কৰিব বুলিও
আমি এদিন আশা কৰিছিলো।

# মোৰ দেশ

মোৰ দেশ
সকলোৰে সেই সৰু ভনীজনী।
অনাদৰৰ মাজত ফূৰ্ত্তি কৰি থকা, অকাৰণে সুখী।
তাইলৈ হয়তো মৰম আহে আজ্ঞা হৈ ; এই হেৰেমৰ গোমা মুখবোৰ !

শেৱালীৰে ভৰা এই দেশ, এবিধ সদা-বাহি ফুল
ফুলবোৰ নিৰন্তৰ সৰি থাকে সময়ৰ নিচিনাকৈ।
ইয়াত এইবোৰ ফুলৰ মাজতেই মিলন হয়
আৰু এৰা এৰি হয়
বিদায় দিয়াৰ আগৰ মুহূৰ্ত্তবোৰত
এই দেশ চিৰকালৰ বাবে প্ৰোথিত।

এই দেশ আমাৰ অন্যমনস্কতাত নিজে নিজে বাজি থকা এটা সুৰৰ কলি।
এজন বলীয়াৰ মনত হয়তো তাৰ এটা অৰ্থ উদয় হয়,
এই সুৰত বলীয়াৰ বিৰবিৰণিবোৰে কৰুণা-শুৱায়।
আমি তাকেই সঁচা বুলি মানিব লাগিব
নহ'লে হয়তো এই দেশ অবান্তৰ !
হেৰেমত ভালকৈ খাবলৈ পালে, তাইতো সুগঢ়ী হ'লহেঁতেন।

# প্ৰিয়তমা ফিউজান

সোঁৱৰণিৰ আটাইবোৰ নিয়ম ভাঙি পেলোৱা।
এতিয়া তাইক তিমান ভালপোৱা যিমান পোৱা নাছিলা আগতে।
তাইৰ থুৰ গোন্ধটো মনত পৰে, যদিও তাই সুন্দৰ পাৰফিউম ঘঁহিছিল।
ইমান দিনৰ পাছত মনত পেলাব পৰা গৈছে
তাইৰ লঞ্জ্ৰীবোৰৰ বিশেষ ৰুচিবোধ।
নহয়, তিমান পৰিমানৰ প্ৰেম মোৰতো মনত পৰেই
যি মনত পেলাব বিচাৰোঁ সেয়াহে অপৰিমিত।
মই এনেকৈ মনত পেলাওঁ যে তাই
নিতে ধুনীয়া হৈ হৈ গৈ থাকে।
যেনে সেইদিনাখন, এতিয়াও তাই অইনৰ সৈতে নাচি আছে।
সংগমৰ মুহূৰ্ত্তবোৰে মোক সদায় ঠগিছিল, মই গম পোৱা নাছিলো যে
আমাৰ ছাল এতিয়াহে ঘঁহনি খাব আৰু জুই জ্বলিব।
মই আচলতে একো সাঁচি ৰাখিব খোজা নাছিলো।
মই জনা নাছিলো যে মই আচলতে এতিয়াহে জীয়াই থাকিম।
ভালপোৱা কিদৰে সম্ভৱ হৈ উঠে,
মোৰ প্ৰশ্ন আছে , নিতান্তই বৰ্তমানত ?
অথবা চুমা খাই থাকোতে মই কিয়ই বা চকুমুদি আছিলোঁ ?
হয়, তাই কবৰত পঁচিছে, তথাপি তাইৰ মঙহৰ গোন্ধ পাহৰিবলৈ
মই অস্বীকাৰ কৰোঁ।

—কেমাল বাস্‌মাচি

# আশা

সেয়া চোৱা
নামি যাবলৈ ধৰা সূৰ্য্যটোৰ তগবগ যৌৱন।
ইমান প্ৰেমদৃপ্ত মেঘ, আচৰিত !
আস্ প্ৰেৰণা
এতিয়া আমি আমাৰ শেষ চুম্বন বেছ দীঘলীয়া কৰিম নহয় নে,
মৃত্যুৰ গহনত তোলপাৰ নলগালৈ ?
অন্ধকাৰ ৰাতিও, দোভাগ ৰাতিও
আমি জানো সপোনত শুম ?
আমি সপোনতনোশোওঁ, নিতান্তই পুনৰ জাগি উঠিম ;
তেজ আৰু তাৰ প্ৰাচীন উমৰ আৰ্তিত।
তেওঁলোকক পৃথিৱীলৈ দুনাই আহিবলৈ কোৱা
যিসকলে মাথোঁ প্ৰশ্ন কৰাৰ বাহিৰে একো নকৰিলে।

শুনা এয়া আমাৰ ইতিহাস মাথোঁ সৰ্বময় নিদাঘ নহয়
সেয়া এটা উজ্বল সূৰ্য্য আৰু ঢেৰ ছায়াভৰা বননিৰ মিলন বিৰহ।
নিন্দুকসকলক কোৱা
মানুহে যি পাহৰিব বিচাৰিছে
সেয়া তেওঁলোকক পাহৰিবৈ দিয়া উচিত,
ৰাতিপুৱাৰ সমানেই মানুহে সন্ধ্যা ভাল পায়।
পৰাজয়বৰণ কৰা সকলক কোৱা
মানুহৰ আশা কেৱল এক মতবাদ নহয়
ঘামেৰে তলবল দেহাৰে মানুহে প্ৰেম কৰে।
মই জানো এই পাণ্ডুলিপি পুৰিলে অন্তৰীক্ষ ধোঁৱাই যাব
তথাপি প্ৰতিজন গীতিকাৰে আৰু এটি অন্তৰা নিৰন্তৰ যোগ দি যাব ইয়াত।
আস্ প্ৰেৰণা
এই যে সুললিত অস্তৰাগ সূৰ্য্যৰ নদীত
আমি এই তান বেছ দীঘলীয়া কৰিব বিচাৰোঁ নহয়নে
মৃত্যুৰ গহনত তোলপাৰ নলগালৈ?

# মানুহে জানিছিল

মানুহে জানিছিল
মাটিতেই খোজ থ'ব লাগিব। ধূলিয়ঁৰিত।
পাছত সেই জ্ঞান সলনি হ'ল।
মই ক'লৈ গৈ আছো
এটা পুৰণি গীতৰ জুনুকা লৈ হৃদয়ত?

মোৰ কোঠাৰ, আলহীৰ চাহ খোৱা মেজলৈ আহে
ইখনৰ পিছত সিখন কিতাপ, বাতৰি কাকত।
সেইবোৰে আনকি গুণ গুণাবলৈও এৰি দিছে।
আমি ইজনে সিজনক ইমানেই ভালদৰে চিনি থৈছোঁ যে
বহুতেই পাহৰি গৈছে সম্ভাষণ।
মলীন ৰ'দ, প্ৰতাৰক বতাহ।
গাঁৱৰ বাটে বাটে মদাৰীবোৰে ফাল্টু আশ্চৰ্য্য কঢ়িয়াই লৈ ফুৰে।

মানুহে হামিয়াই দিছে
অন্তৰীক্ষত উঠিছে তাৰ গুঞ্জন।
সঁচাই, ওখ স্তম্ভবোৰ আমি বৰ ওখ বুলি ভাবিছিলো,
সেইবোৰে মহামিলনৰ বাসনা জগাব পাৰিছিল
এটা সময়ত।
এটা সময়ত দৈহিক মিলনো আনকি
দুই নম্বৰী হৈ পৰিল।

এয়া মাথোঁ দীঘলীয়া সংগমৰ পাছৰ ভাগৰ নহয়
আমাৰ মুখাৱয়বত বহুবাৰ জন্ম লোৱাৰ শ্ৰম,
আমাৰ হাতত প্ৰাচীন পোৰা মাটিৰ পুতলা।
আমাৰ চুমাৰ বজ্ৰ সাধাৰণ হৈ পৰিল
আমাৰ যিমানবোৰ সৌন্দৰ্য্য সেয়া চব তেনেই পেলনীয়া বাৰিষা।

# চাট্‌নি

এনেকৈয়ে জীয়াই থাকা আৰু ঢেৰ অতৃপ্তিৰ জন্ম দিয়া।
কেৱল সময়েহে নিজকে পৰিপূৰ্ণ কৰিব পাৰে
তাৰ প্ৰিয় চাট্‌নিৰে।

কি ভবা হৈছে বাৰু
বতাহ ক্ৰমাৎ অশান্ত হৈ আহোঁতে?
বিস্তৰ আকাশৰ মেঘ, মহাসাগৰ, আৰু ধুমুহাৰ গৰ্জন....
সেই সিংহৰ সতে মুখামুখি হোৱাৰ সময়ত
উঠে অপাৰ্থিৱ ভীতি-নৃত্যৰ লয়
সুন্দৰ নহয় সুন্দৰ নহয়।
আৰু ফালি চিৰি নেফানেফ হৈ যোৱা মানুহৰ মনৰ মঙহ।
বহুবাৰ আমনিৰ ভেঁকুৰে খাই পেলায় সকলো।

কিয়নো সেই জুই নুমাল, যে আমাৰ অগ্নি পৰীক্ষা হ'ব।
এতিয়া আৰু নতুকৈ প্ৰমাণ কৰিবলৈ তোমাৰ একোকেই নাই
সেয়ে নামি দিয়া তোমাৰ অভিজ্ঞতাৰ পাওদানীৰপৰা, মানুহ
অৱশেষত তোমাৰ অভিজ্ঞতা মুঠেই নিৰ্ণায়ক নহ'ল।

আমনিবোৰৰ চূড়াত
এখন বিশাল নিচান তঁৰি দিয়া,
আৰু মচি থৈ আহা তোমাৰ খোজৰ চিন।
প্ৰাৰ্থনা কৰোঁ, এই অশান্ত বতাহ যেন
সেই নিচান কোঁবাই বৰ্ণালী তুলিবৰ বাবেহে।

# মহাসাগৰৰ দিগন্তত পৃথিৱী অস্ত যায়

এইবাৰৰ কুঁহিবোৰো নতুন ধৰণৰ নহ'ল
বৰযুণ, যি নিজেও নতুন ধৰণৰ নহ'ল,
সি সেইবোৰক মাথোঁ জংঘল বনাব পাৰিছিল।
কবি তোমাৰ শব্দ দিয়া
আদৰেৰে ফুলদানিত জুবুৰিয়াই থওঁ।

কবি তোমাৰ শব্দ দিয়া
সম্ৰাটক তেওঁৰ দুৰণিবটীয়া জাহাজৰ কথা কওঁ।
মহাসাগৰৰ দিগন্তত পৃথিৱী অস্ত যায়।
তোমাৰ শব্দবোৰ আহে
স্কিজ'ফ্ৰেণিয়াত উছন হেৰা চুবুৰীবোৰৰ সন্ধ্যাৰ উত্তেজনাৰ পৰা।
কবি তোমাৰ শব্দ দিয়া
আমি এতিয়া তোমাৰ শব্দবোৰতেই বাস কৰিব লাগিব চিৰকাল।।
যিদৰে সকলোৰে পাহৰণি থাকে একেলগে
ৰাতিৰ অন্ধকাৰত যিদৰে
সকলো ৰং নিৰাপদে শুব পাৰে।

## অভিজ্ঞ পিয়লা

কোৰা কি প্ৰকাৰে তোমাৰ ঐশ্চৰ্য্য বাঢ়ে
সুন্দৰতা?
মই যদি এৰি যাওঁ, নিৰাভৰণ, পৰিপক্ক হৃদয়?
কিবা যে আছিল, আছে অথবা নাই
তাৰ সাক্ষী-বাদী, কণা, খোৰা, বল খটুৱাব নোৱাৰা,
কিছুমান আঁৰ কাপোৰ উদং হৈ পৰাৰ মুহূৰ্ত্তৰ,
ক্ষন্তেক চিক্‌মিকাই যোৱা বিজুলীৰ,
কোনো অষ্টাবক্ৰৰ যৌৱনৰ জুইৰ
কাম কেলিয়েই বা কিয় নৈবেদ্য আছিল কুব্জাৰ, তাৰ,
আৰু মোৰ, যি থৈ যাব পাৰোঁ অভিজ্ঞ পিয়লা
এক দুই নহয় আটাইবোৰ ঋতুৱে মোক পুৰঠ কৰা,
কিয়নো, সমস্যা আছে, যদিহে দলিল এৰি যোৱা নহয়
বলি যোৱাৰ পৰত এই ভোগীৰ মনত কি চলিছিল,
নখ এৰাই যোৱাকৈ মাটি খামোচা
আৰু বিষয় সুখৰ পৰা হেনো গাহৰিকো বঞ্চিত কৰা নহয়, তাৰ।

মোৰ বিশ্বাস আছে
দুটামান যথাযথ শব্দই, এই মহাবিৱৰণ সম্পূৰ্ণ কৰিব,
এই বিৰবিৰণীবোৰৰ মাজত সি হঠাতে জিলমিলাবলৈ ধৰিব,
কিন্তু মালিকী নখটাওঁ
মৃত্যু এজ্‌মালি।
কিয়নো, নহ'লে সমস্যা আছে
মোক ক'বলৈ দিয়া, কেৱল মোৰ অভিজ্ঞতাই নিৰ্ণায়ক
আজে-বাজে কবি উটি-ভাঁহি যাব।

## ঠিকনা

প্ৰচুৰ ৰ'দ বৰষুণ। ৰহ জীপ থকা মাটি।
আৰু সদায় যিখন আকাশে দয়া কৰি আছে সেইখনেই।
কিবা এটা বিচাৰি পাবৰ বাবে পৃথিৱী বহু তত্ত্বৰে আৱৰা।
সেইবাবে জীৱন-জৰী ছিঙি যোৱা নাই,
সেইবাবে অস্মিতা, অভিনিৱেশ, যিকোনো পৰিস্থিতিত মৃত্যুতকৈ জীৱনেই শ্ৰেয়।
এনেতে কোনে বিশ্বাস নকৰিব, যে যদি মৃত্যুতকৈ জীৱন শ্ৰেয়
যে তুমি অনন্তবাৰ জীৱন পাইছা?
প্ৰতিবাৰে এটাকৈ হ'লেও তুমি অনন্ত এনে ধুনীয়া প্ৰশ্ন কৰিছা
যাৰ সৌন্দৰ্য্যই উৎসুকৰ বাবে উত্তৰ।
মই লোহাৰ দানা চোবাইছো
আৰু নিজৰ লেলাউটি নিজে পান কৰি আছো
সেয়াই জ্ঞানমালিনীৰ স্তনৰ অমৃত।
সকলো ফালে দয়া
যিফালে বাট মোকলাই লৈছা
গচকিছা নতুন বন, নতুন ধূলি।
হয় চাৰিওফালে যোৱাটো সম্ভৱপৰ, কিন্তু
আশা কৰোঁ তুমি তোমাৰ প্ৰিয়জনৰ ঠিকনা বিশেষ
তেওঁক নুসুধিবা কোনোকাল।

## পৰিত্যক্ত

মোক এৰি যোৱাৰ পাছত
তোমালোকে আৰু চাবলৈ অহা নাই
এই বিস্তীৰ্ণ পৰিত্যক্তক ডাঠ জংঘলে আৱৰি ধৰা।
অকাঠি গছবোৰো তোমালোকৰ শেষকণ আশাতকৈ
বহু বেছি গুণে ওখ
ঘাঁহবোৰ বেছি ঘন
পোক-পতংগৰ মাত নিৰ্জনতাতকৈ অধিক জয়াৰ।
এই পৰিত্যক্ত দমকলৰ পৰা নিজে নিজে পানী পৰি থাকে
ওহো নহয়, কোনো তৃষিতৰ হৃদয়তে এই পানীৰ ভুমুক নাই
এয়া মানুহে এৰি যোৱা পানী
এই পানীলৈ কিবা ভয় লাগে।
অথচ মই এয়া অতীতত আহি আছোঁহি বুলি মই নাভাবো
ভৱিষ্যতক এইদৰে ডাঠ জংঘলে আৱৰি ধৰা
তোমালোকে আৰু চাবলৈ অহা নাই, মাথোঁ সেয়াই।
এই যে জহি যোৱা ঘৰটোৰ পঢ়াকোঠাত মোৰ ভণীজনী ওলমি আছিল
তাৰ খহি পৰা খিৰিকিৰে ভিতৰলৈ সেই জয়াৰ দৃশ্য এতিয়াও দেখি
ভিতৰৰ পৰা বাহিৰলৈ সেই খিৰিকিৰে নানাবিধ বিনন্দীয়া চৰাই এতিয়াও দেখি।

সঁচা কথা, ইয়াত কবি থাকে।
কবি সদাই এখোজ আগত থাকে
কবি সদায় বৰ্ণময় ভৱিষ্যতত থাকে।
ময়ো বিচাৰিছিলো তোমালোকৰ সতে চৰাইবোৰ উৰি যাওক
সময়ৰ খাৰৈবোৰ পোত যাওক পলসত
তোমালোকৰ হতশ্ৰী নহওক
লক্ষীচাৰা নিদিয়ক মানৱতাৰ ৰাতিপুৱা বা ধূপ-ধূনাৰ সন্ধ্যা।
মই বিচাৰিছিলো
মানুহে ঘৰ পাতক।
আমি যে কিমান ভ্ৰমিলো সাগৰ, পৰ্বত, মৰুদ্যান অকলশৰে অকলশৰে।
তাৰ পাছত আৰু বিয়াত সোমাব লাগে !
সুখ দুখৰ কল-কাকলিৰে সংসাৰখন ভৰাই পেলাব লাগে
পৃথিৱীখনক ভাল পাব লাগে, বহুত ভাল পাব লাগে
আঁৰ বেৰ দিব লাগে
ন-ছোৱালী সোমোৱা চৌহদ।
কিন্তু তোমালোক ক'লৈ গ'লাগৈ মই নাজানোঁ।

## স্ব-প্ৰতিবিম্ব

আইনাত এইজন সেইজন মানুহ
ঠিক দুৰ্বল যোৰাবোৰত যাক আঘাত কৰা হৈছিল।
তেওঁক চিনি পাওঁ, তোমাৰ ব্যাখ্যা বন্ধ কৰা হৃদয়
তেওঁৰ বিষয়ে দ্বিতীয় এটা কাহিনী সম্ভৱপৰ নহয়।

তেওঁক বুটলিবৰ যত্ন নকৰিবা
আইনাৰ সিপাৰে সৰা বুঢ়া পাত আৰু
সুগন্ধি ফুলবোৰৰ মাজৰ পৰা।
এক দৃশ্যৰ থাকিবলগীয়া মৰ্য্যাদাৰ যাতে কোনোপধ্যে হানি নহয়
এই শব্দবোৰত যি তুলি ধৰিব বিচৰা হৈছে।
সকলো বিনিময় বন্ধ কৰি
এক ব্যাপ্ত বসয় গোট মাৰিছে তেওঁৰ চেহেৰাত।
কিদৰে বেচা-কিনা কৰিব তেওঁ তোমাৰ হীৰক প্ৰশস্তি
আইনাৰ ইপাৰৰ বস্তু একোকেই তেওঁক নালাগে।

তোমাৰ ব্যাখ্যা বন্ধ কৰা
অ' দূৰ-দূৰণিৰ পৰা উটি ভাঁহি আহি থকা চাৰনি
দাড়িবোৰৰ মাজত ঘটি থকা তেওঁৰ যন্ত্ৰণা বন্ধ কৰা।
চেহেৰাৰ মঙহে উচপিচায় তাৰ বৃথা অমৰত্বত।

তাতোকৈ আমি সকলোৱে মনে মনে থাকোঁ আহাঁ,
আৰু আমাৰ মূৰ ফনিওৱা কামটো কৰি আঁতৰি যাওঁ
বিড়ম্বনাৰ হাতত তেওঁ ধৰা দিয়ক
নিতান্তই তেওঁ নিজে বিচৰা ধৰণে।

# গন্ধ-স্পৰ্শ

(এক)
এতিয়া, এই ইমানবোৰ কথাৰ পাছত
এই হৃদয় সম্পূৰ্ণৰূপে মাটিয়ে বিচাৰিছে।
গন্ধ তাৰ গুণ, তাৰ বাহিৰে
ইতিহাসৰ আৰু অইন গোন্ধ নাই।
ঈশ্বৰৰ সাৱধানবাণী মই অৱশ্যেই শুনিছো
তাতে তেওঁ কৈছে,
— দেহাটো অকণো বাকী নৰখাকৈ মাটিক সঁপি দি আহিবা।
নাৰীৰ বিভিন্ন অংগৰ গোন্ধ !
ইতিহাসৰ আৰু অইন গোন্ধ নাই।
উশাহ লৈ থকা এই শটো
শেষত কোনোবাই ৰান্ধক, উশাহকণ বাকী থাকোতেই অৱধূতৰ
নৈবেদ্যৰ দৰে গোন্ধ নিৰাসক্ত ভোগৰ।
আৰু তাৰ পাছত
ওখ আকাশৰ সৰু সৰু চৰাই।

(দুই)
ডাঙিব নোৱাৰা এটা আধা-জীৱনে
কিছুমান সৰু পাতল স্মৃতি-স্ফুলিংগ বতাহক উৰুৱাবলৈ দিছে।
মোক পৰ্য্যাপ্ত পৰিমানে ঘঁহিলে সেইবোৰ চিৰকাল পাবা অ' বতাহ
মই এক উদাৰ কাহিনী।
চোলাৰ ফাঁকত সুমুৱাই লৈ
মই বহুদিন তোমাক ভোগ কৰাইছো মোৰ স্পৰ্শ।
এতিয়া সেই জংঘল ডাঠ হৈ পৰিছে
য'ত আমি প্ৰথম প্ৰেম কৰিছিলো, তেতিয়া যেতিয়া সেয়া সযত্ন পালিত বাগিচা আছিল।
অনাবিল স্পৰ্শৰে আমি
ইতিহাসৰ বহু তৰপ বখলিয়াই পেলাইছিলো। কিন্তু কিয় ?
ইতিহাসৰ গৰ্ভত প্ৰজ্বলিত প্ৰেম
আকৌ নিজে নিজে ঢাক খাই পৰিল ?

# শালমন

বেগতে,
সোধা মোক, মুখখনত কিয় ইমান শালমন ওলাইছে
আৰু মোৰ স'তে তোমাৰ প্ৰেমৰ আৰম্ভণি কৰা।
মোৰ বিবৰ্ণ সত্বাৰ বেতুপাতত চুমা খোৱাৰ
এটাই কাৰণ থাকিব পাৰে
কিতাপখন প্ৰাচীন, পাব্‌লিচাৰ্চ পেজৰ তলত এটা চহী,
হয়তোবা এনে, DKB 1956, Tokyo ,
অথবা, এটা কাহিনীয়ে পৰাস্ত কৰিছে হয়তোবা
বহুতো কাগজ খোৱা পোকক, কাগজক দিছে সেই শক্তি
তেনেকুৱা এখন হৃদয়, সহজে অহা-যোৱা কৰিব পৰা
যদিহে নিতান্তই, খোল খাই যায় একমাত্ৰ প্ৰাচীন তলাটো, দুৱাৰৰ পাছত অনন্ত দুৱাৰৰ।
তাৰ বাবে আহা, আৰম্ভণি কৰা এটা পৃষ্ঠা লুটিওৱা মাত্ৰকেই
শ্বেইক্সপীয়াৰক অৱজ্ঞা কৰাৰ।
হাতদুখনত এটা জিন্‌জিননি,
ধোঁৱা কোঁৱা দৃষ্টি
আৰু বহু সময় অধ্যয়ণ কৰাৰ  ফলত
গলধনৰ বিষ।
দুটা বিশেষ পৃষ্ঠাৰ মাজত
এপাহ চেপেটা কিবা ফুল, অথবা বিদ্যাপাত,
সেয়া চিন, শালমনৰ সতে দিবা ৰাত্ৰিৰ মহাৰণৰ।
তুমি ভাগৰি পৰিছা হয়তো, এখন অন্তহীন মুক্ত আকাশত
মেঘকন্যা
তেনেকুৱা এটা অৱস্থা
নিতান্তই হ'ব পাৰেই, মোৰ প্ৰেমত।

# অপূৰ্ণ পুস্তক

কিমান যুগ যুগান্তৰ ধৰি
জহে পুৰিছে এই আজলি মাটিৰ অবোধ কোমলতা
নিবেদন কৰিছে আকৌ পুষ্প-টোপাল পৰশ-বৰ্ষা
কি পিয়াহৰ তপস্যা, কি তৃপ্তিৰ বৈকুণ্ঠ
ক্ষণিক দিনৰ মাথোঁ মোৰ প্ৰেম
কেনেকৈ যোগ্য হওঁ তোমাৰ, কাক ফেৰ মাৰোঁ?

বিজুলী চমকিছে মোৰ আন্ধাৰ শুদা বিচনাত
লাহে লাহে পদুমফুলৰ দৰে গোন্ধাবলৈ লৈছে মোৰ দীৰ্ঘদিনীয়া অনিদ্ৰা

সুবাস তাৰ দূৰৈৰ কোনোবা এক কেতেকী ৰাতিৰ বিলাপত
কোনে জানে অপেক্ষা পূৰঠ হ'লে আৰু কান্দিম কিমান?
ধাৰাষাৰ এজাক বৰষুণত মোৰ দুটোপাল চকুপানী মিলি ক্ষণিকতে নোহোৱা হ'ল।
হঠাৎ চেগুনৰ ডাল ছিগাৰ শব্দ, ভীতি, বতাহৰ এটা পাক।
হৃদয় ভগাৰ সেই শংকাৰ কিদৰে মুখামুখি হওঁ
কেনেকৈ যোগ্য হওঁ তোমাৰ? কাক ফেৰ মাৰোঁ?

আনকি তুমি প্ৰেৰণাও
কি অজান কায়াৰ কি অদৃশ্য কামদংশনৰ দীঘল দীঘল ৰাতি অৰধাৰিত সমুখত,
তেজৰ মাজেৰে বগুৱা বাই থকা অজান ভৱিষ্যতৰ শীতল পদশব্দ।
কাৰণ তুমি নিঃশেষ হৈ যোৱাৰ পাৰাপাৰহীন প্ৰেৰণা
যে মই প্ৰাৰ্থনাৰ পাপ কৰোঁ অন্তহীন অস্তিত্বৰ বাবে
ক্ষণিক দিনৰ মাথোঁ মোৰ প্ৰেম
কেনেকৈ যোগ্য হওঁ তোমাৰ? কাক ফেৰ মাৰোঁ?

অজস্ৰ ভাবনাৰ তুমুল বা-মাৰলিৰ পাছৰ এইবোৰ প্ৰশান্ত ৰাতি
গভীৰতৰ দ্বাৰৰ পাছত দ্বাৰ খোল খায়
গম্ভীৰ ৰাতিৰ কত অন্ধকাৰ-বসন্ত স্তৰে স্তৰে
কোনোটো মায়াময় জোনাক নিশা আচম্বিতে উদ্ভাষিত হয়
কত জন্মান্তৰৰ অৱশ্যম্ভাৱী সেইবোৰ প্ৰেতপুৰী
দূৰৈৰ কোনোজোপা আঁহতৰ হেজাৰ বিজাৰ কুঁহিত ৰাতিৰ পোহৰ পৰে
ভাঁহি উঠে মোৰ অৱশ্যম্ভাৱী অজস্ৰ মহাপাপৰ দৃশ্যান্তৰ
কেনেকৈ সাহস কৰোঁ সেই অপ্ৰতিৰোধ্য হাতবাউলিক
কেনেকৈ যোগ্য হওঁ তোমাৰ? কাক ফেৰ মাৰোঁ?

মুঠেই সহজ নহয় এই মধুময় ত্ৰাসমাধুৰী
সহজ-সৰল কেৱল ঘৃতাহুতিত দপ্‌দপ্‌কৈ জ্বলি উঠা মোৰ
কালী-কৰালী আৰু মধুজৱা আৰু সুধুম্ৰৱৰ্ণা-সুলোহিতা
বিশ্বৰুচি-স্ফুলিংগিনী
হে লোলায়মানা সপ্তজিহ্বা
সকলো শিখাৰ
সকলো তৃষাৰ
মোক ভুলাই নিয়া জুইৰ পাছত জুইৰ ভিতৰলৈ অনন্তক্ৰোশ
আহুতি যদিও অসুন্দৰ মোৰ মাংস হাড় তেজ ভাবনা দুৰ্ভাৱনা
জুইহে অনিন্দ্য সুন্দৰ
পুৰি নোহোৱা হয় আহুতিৰ দোষ।

অথচ এই ৰাতি হুমুনিয়াহৰ সমান ঠাণ্ডা।
মোৰ হৃদয়ৰ এইবোৰ তেনেই সৰু সৰু ঢৌ শীতল
শীতল পুৰবী বতাহ মোৰ উশাহৰ মাজেৰে

অৰধাৰিত মোৰ মৃত্যুৰ শীতল ছাঁয়াভৰা পথ
সৃষ্টিৰ নিয়মবোৰ শীতল, ইতিহাসৰ পৃষ্ঠা চেঁচা
নিৰুদ্বিগ্ন সময় নিৰুদ্বিগ্ন মৰতৰ ধূলি মাকতি
মোৰ পথৰ খোজত চিৰকালৰ শীতল অৱশব্দ।
যাত্ৰাৰ হয়তো শেষ হ'ব মাথোঁ এটা চেঁচা কুঁৱাৰ একাজলি পানীত
তাৰ সিপাৰে হয়তো নিয়তিৰ নীৰৱ সিদ্ধান্ত।
তেন্তে
মই মাথোঁ বুই যাব পাৰো এই ৰাতিবোৰৰ সকলো অশনি-সংকেত
তোমাক অনন্তবাৰ ভাবি গুণি।

ভাবিছোহে মাথোঁ
এই আউল লগা ক্ষীণ সূতাডালকে নিৰন্তৰ বগাই থাকিম।
ভাবিছোহে মাথোঁ
অথলে যাওক মোৰ নিঃকিন প্ৰাণ অদৃশ্য উৰ্ণনাভৰ জালিকাত
অনন্ত ৰাতিৰ অপেক্ষাৰ মাজেৰে, অপূৰ্ণ একোটো বাক্যৰ, অপূৰ্ণ মোৰ কাব্যৰ
কোনেও নভবা অথবা নিজেও নভবা তাৰ যাতনাবোৰক চেলাম ঠুকিম
যৎসামান্য তাৰ সুঘ্ৰাণৰ বাবে
অৰধাৰিতভাৱে সাজি থোৱা মোৰ অনন্তটা চিতাৰ একোডোখৰ চন্দনৰ।

এই ৰাতিবোৰ তেনেই পেলনী যাব বুলি জানো
অথচ নিজৰে আত্মাৰ মধুকুঁজন এইবোৰ তৰংগায়িত ৰাতিৰ
কেতিয়াবা নিজেই তৃপ্তিত সেমেকি উঠোঁ, প্ৰেমৰ প্ৰথম প্ৰাপ্তিৰ,
তৃপ্তিতে মোৰ প্ৰাণ ভৰি পিয়াহ লাগে।
নাজানো কিমান জনমৰ সঞ্চিত অপূৰ্ব এয়া চাগে প্ৰথম কুঁহি মেলিছে
নে যেন মাথোঁ লাগিছে
নে বাৰু যথাৰ্থতে হৈছে সেয়া?
অথবা তাকে মাথোঁ পাবলৈকে ইয়াৰ পাছতো আৰু কিমান যুগান্তৰ
হতাশাৰ কি যে ভব্য আড়ম্বৰ।

এনেবোৰ ৰাতি বহুবাৰ পুৱায়।
ফুলি উঠে ৰাশি ৰাশি ফুল বহুবাৰ আৰু মৰহি যায়।
ফুলে নেকি বাৰু নিতে এপাহ বেছিকৈ?
সীমাহীন আশাৰ ফছিল স্তৰীভুত জন্মান্তৰৰ শিলত
কেনেকৈ গণি শেষ কৰোঁ
অনন্তৰ পাছত এটা শূণ্য বেছিকৈ?
জপমালাৰ মণিৰ কোনটো প্ৰথম কোনটো শেষ
নিশ্চিতভাৱে ক্ষণিক দিনৰ মাথোঁ মোৰ প্ৰেম
কেনেকৈ যোগ্য হওঁ তোমাৰ, কাক ফেৰ মাৰোঁ?

কিন্তু মোৰ হুমুনিয়াহবোৰ পুতৌ লগাকৈ চুটি চুটি।

যিকোনো সীমাহীন বিলাপ, যিকোনো নিৰন্তৰ স্তুতি আৰু কিমানবোৰ তপস্যা
বাৰম্বাৰ মাথোঁ শেষ হ'ব আৰু শেষ হ'ব এই অপেক্ষাৰ দৈৰ্ঘ্যত
সিও মাথোঁ নিষ্ফলভাৱে
দোহাৰিম মাথোঁ দোহাৰিম বাৰম্বাৰ নিষ্ফল সেই কামনাস্তোত্ৰ
যি ভাগ হওতে ভাগ হওতে অনন্ত দিবা নিশা
প্ৰতি ৰাতি কিমান কমকৈ সৰে প্ৰেম !
অথচ তিমানেই
এই পেলনীয়া মোৰ ৰাতিবোৰৰপৰা মই সমস্ত আন্তৰিকতাৰে যি বাসনা কৰোঁ।
যি বাসনাৰ নাম জপি জপি শেষ কৰিব নোৱাৰিম মই মোৰ জপমালাত কাহানিও
তাতোকৈ উহ্য থাওক অনামা
থাপনাত সেই বন্তিৰ পোহৰ অনামী
অনামী মোৰ এই চিঠিও
অনামী সেই প্ৰেমৰ আদিশক্তি, যি মোৰ অনন্ত অৰ্ঘৰে অপূৰ্ণ পাত্ৰ,
আৰু অনামী এই অপূৰ্ণ পুস্তক যাৰ প্ৰতিটো পৃষ্ঠাৰ পৰা
মোৰ নিজৰেই নাম অনন্তবাৰ মচ খাই যোৱা চাই থাকোঁ দিবা-নিশা।